দিলীপ তামুলীলৈ ‘প্ৰণৱ বৰুৱা শিল্পী বঁটা’
■ সবিশেষ ৮ পৃষ্ঠাত চাওক




www.newsnextone.com
e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

WEDNESDAY, JANUARY 01, 2025 ■ বুধবাৰ, ১৬ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭ Guwahati, Assam ।। মূল্যঃ এটকা

## ঘূৰি চাওঁ! সমুখলৈ চাওঁ



■ ডঃ দীনেশ বৈশ্য

আকৌ এটা নতুন বছৰ আহিল। এটা বছৰ অতীত হৈ গ’ল। নতুন বছৰটোত সকলোৰে সঁচাকৈয়ে ভাল দিনৰ শেষাংশ ২ পৃষ্ঠাত


## বাধা-বিঘিনি ওফৰাই আগুৱাই যাব লাগিব



■ জ্যোতি খাটনিয়াৰ

২০২৫ বৰ্ষটো নিসন্দেহে প্ৰত্যাহ্বানেৰে ভৰা বছৰ হ’ব। বিভিন্ন কাৰণত শেষাংশ ৩ পৃষ্ঠাত

## জটিল সময়ো সহজ হৈ পৰিব!



■ ডঃ আকাশীতৰা

অসমবাসী ৰাইজলৈ মই নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰিছো। মই আশা কৰো শেষাংশ ২ পৃষ্ঠাত

## মানসিকতাৰ সলনি হ’ব লাগিব



■ ডঃ স্বাতী কিৰণ

নাৰীৰ অধিকাৰ, মৰ্যাদা, স্বাধীনতাৰ বিষয়ে সচেতন নাৰীবাদী মানুহ শেষাংশ ২ পৃষ্ঠাত

## শাসকে ৰাইজৰ সকীয়নি শুনিব লাগিব

■ ডঃ হীৰেন গোহাঁই



অসমৰ সংবাদজগতত নতুনকৈ সংযোজন ঘটা অনলাইন সংবাদপত্ৰ ‘ই-সংবাদ’ৰ পঢ়ুৱৈৰ লগতে অসমবাসীলৈ নৱবৰ্ষৰ শুভেচ্ছা জনাইছো। আমি আশা কৰিছো সাম্প্ৰতিক সাংবাদিকতাৰ যিটো কণ্টকাকীৰ্ণ পথ, সেই বাটেৰে ৪ নং পৃষ্ঠাত



সময় হ’লেই ফুলি উঠে ফুল, পাখি মেলি উৰি আহে আশাৰ পখিলা... ফটোঃ ৰাজেশ নাথ

## অসমীয়া জাতি হিচাপে কৰিবলৈ বহুত কামেই বৈ আছে

■ ইমৰান শ্বাহ



নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলো। নতুন বছৰ মানে আচলতে এটা সংকল্পৰহে বছৰ হ’ব লাগে, ৩ পৃষ্ঠাত চাওক

### প্ৰযুক্তিৰ জগতত দেখা যাব পৰিৱৰ্তনৰ সঘন জোৱাৰ, চুই যাব অসমকো

# ২০২৫ত মানুহৰ আপোন হৈ পৰিব এআই

ই-সংবাদ বিশেষ, ৩১ ডিচেম্বৰঃ প্ৰযুক্তিৰ জগতত পৰিৱৰ্তনৰ জোৱাৰ উঠিব ২০২৫ বৰ্ষত। ক্ৰমান্বয়ে সলনি হোৱা দৈনন্দিন জীৱন এই বছৰটোক অধিক প্ৰভাৱিত শেষাংশ ৪ পৃষ্ঠাত



## আম্বেদকাৰৰ প্ৰতিমূৰ্তি মুকলি কৰি দিবলৈ দাবী দেৱব্ৰতৰ

ই-সংবাদ, গুৱাহাটী, ৩১ ডিচেম্বৰঃ সংবিধান প্ৰণেতা বাবাচাহেব আম্বেদকাৰৰ দিছপুৰ সচিবালয়ত থকা প্ৰতিমূৰ্তি ৰাইজে শ্ৰদ্ধা জনাব পৰাকৈ মুকলি শেষাংশ ৫ পৃষ্ঠাত



## বছৰটোৰ শেষত মণিপুৰৰ মুখ্যমন্ত্ৰীয়ে বিচাৰিলে ক্ষমা

ইম্ফল, ৩১ ডিচেম্বৰঃ পলমকৈ হ’লেও অৱশেষত বোধোদয় ঘটিল মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন শেষাংশ ৪ পৃষ্ঠাত

## নতুন কেৰিয়াৰে কঢ়িয়াব আশাৰ বাৰ্তা

■ ডঃ বুলজিৎ বুঢ়াগোহাঁই



‘ই-সংবাদ’ৰ সকলো পঢ়ুৱৈ তথা অসমবাসীলৈ নতুন বৰ্ষৰ আন্তৰিক শুভেচ্ছা জনাইছো। শেষাংশ ৩ পৃষ্ঠাত

### ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ, হত্যাকাৰীক কঠোৰ শাস্তি প্ৰদানৰ দাবী

## ধৰ্মেন্দ্ৰ নাথ হত্যাক লৈ উত্তপ্ত ৰঙিয়া

ই-সংবাদ, গুৱাহাটী-ৰঙিয়া, ৩১ ডিচেম্বৰঃ প্ৰদেশ বিজেপিৰ সভাপতি তথা ৰঙিয়াৰ বিধায়ক ভবেশ কলিতাৰ একাংশ ঘনিষ্ঠ বিজেপিৰ নেতাই ধৰ্মেন্দ্ৰ নাথ নামৰ যুৱকজনক হত্যা



কৰি পুখুৰীত মৃতদেহ পেলাই দিয়াৰ অভিযোগে সমগ্ৰ ৰঙিয়া অঞ্চলক উত্তপ্ত কৰি ৰাখিছে। কালি এটা পুখুৰীত উদ্ধাৰ হোৱা ধৰ্মেন্দ্ৰ নাথৰ মৃতদেহ আজি শেষাংশ ৬ পৃষ্ঠাত

## নৱবৰ্ষৰ উপহাৰ দিবলৈ সাজু মুখ্যমন্ত্ৰী

ই-সংবাদ, ৩১ ডিচেম্বৰঃ ইংৰাজী নৱবৰ্ষ কাইলৈৰ পৰা আৰম্ভ হ’ব। কাইলৈ ইংৰাজী নৱবৰ্ষৰ দিনটোত শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘূৰি চাও! সমুখলৈ চাও

সোৱাদ পাওক, ২০২৫ চনটোত ভাল দিনৰ অপেক্ষাত ৰৈ থকা সকলৰ বাবে সঁচাকৈয়ে ভাল দিন আহক তাকেই আশা কৰি নতুন বছৰৰ শুভেচ্ছা যাছিলো।

এইমাত্ৰ পাৰ হৈ যোৱা ২০২৪ চনটো ভাৰতবৰ্ষৰ সমাজ, সাধাৰণ অসাধাৰণ মানুহ তথা ৰাজনীতিৰ বাবে যোৱা ৫টা বছৰৰ আটাইতকৈ বিস্ময়কৰ বছৰ আছিল। "অবকি বাৰ চাৰশ পাৰ" বুলি হুঙ্কাৰ দি থকা বিজেপি দলটো নিৰ্বাচন যুদ্ধত আঢ়ৈশৰ তলতেই থাকি গ'ল সেই কথা কোনেও সপোনতো ভবা নাছিল। তাতোকৈ বিস্ময়কৰ কথাটো হ'ল বিৰোধীৰ ইণ্ডিয়া এললাইন্সৰ প্ৰধান মন্ত্ৰী হও হও জাতীয় দুজনকৈ ডাঙৰ নেতা, বিহাৰী বাবু নীতিশকুমাৰ আৰু তেলেগু হিৰো চন্দ্ৰবাবু নাইডুৱে নেজ পেলাই মৈদানত শুই গ'ল। হাৰিযোৱা বিজেপি দলক তৃতীয় বাৰলৈ শাসনৰ গাদীত বহুৱালে।

২০২৪ চনত ভাৰতবৰ্ষত বিশ্ববাসীক চমক খুউৱা পৃথিৱীৰ ভিতৰতেই ব্যয়বহুল এদিন নহয় দুদিন নহয় কেইবামাহো যোৱা বিশ্বৰ আটাইতকৈ ডাঙৰ বিয়াখন দৰিদ্ৰ দেশ ভাৰতবৰ্ষৰ মানুহে বিভিন্ন দেশৰ পৰা অহা বিবাহৰ আলহী সকলৰ সৈতে খালে। ৫হাজাৰ কোটিটকীয়া এই বিয়াখন কেইবামাহলৈ ভাৰতীয় চচিয়েল মিডিয়াত শিক্ষিত নিবনুৱা অশিক্ষিত গৰীব শ্ৰমিক সকলোৱে হেঁপাহ পলুৱাই চালে আৰু খালেও। দেশখনৰ স্বয়ং প্ৰধান মন্ত্ৰী মহোদয় আৰু অন্যান্য নেতাসকলৰ লগতে দেশৰ বিদেশৰ নামী দামী ৰাজনৈতিক নেতা শিল্পী আদিয়েও গাবলৈ নাচিবলৈ আৰু লগতে খাবলৈ অহা এইখন বিয়া খাবলৈ নগ'ল কেৱল কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী। আম্বানীৰ বিয়াৰ অভ্যৰ্থনাৰ শিখৰ মুহূৰ্তত ৰাহুল গান্ধীয়ে দিল্লীৰ এখন ৰেষ্টুৰেন্টত বহি খাদ্য গ্ৰহণ কৰা ফটো মিডিয়াত প্ৰচাৰ হোৱাটোও আন এক ৰাজনৈতিক তাৎপৰ্যপূৰ্ণ কথা।

বিজেপি নেতাসকলৰ সহযোগত ৰাজহুৱা ধন ব্যক্তিগত খণ্ডলৈ নিয়া বিশ্বৰ অন্যতম শ্ৰেষ্ঠ ধনী আম্বানিৰ এই বিশ্ব বিখ্যাত বিয়াখনৰ ধুমধাম ইমান বেছি হ'ল যে বিজেপি দলে বহুত কষ্ট আৰু বহুত আশাৰে মছজিদৰ ঠাইত ব্যাপকভাৱে সজোৱা ৰাম মন্দিৰৰ ৰাম লালাৰ পূজা পাতাল আৰু অন্যান্য হুলস্থুলকো আম্বানিৰ বিয়াৰ বেণ্ডপাৰ্টিয়ে তল পেলাই দিলে। ৰাম মন্দিৰৰ ৰাম লালাৰ ৰথত উঠি উত্তৰ প্ৰদেশৰ নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ আশাত চেঁচা পানী ঢালিলে উত্তৰ প্ৰদেশৰ মানুহে। উত্তৰ প্ৰদেশতেই বিজেপি দলৰ শোচনীয় পৰাজয় হ'ল। আনকি খোদ অযোধ্যাতেই বিজেপিৰ অশ্বমেধৰ ঘোৰা ভোটাৰ ৰাইজে বান্ধি থ'লে।
ইমানৰ পিছতো কিন্তু বিজেপিয়ে বছৰটোৰ শেষৰফালে ওস্তাদৰ মাৰ প্ৰদৰ্শন কৰিলে মহাৰাষ্ট্ৰত। মহাৰাষ্ট্ৰৰ ডাঙৰ বিজয়ৰ বিপৰীতে আকৌ ঝাড়খণ্ডত আদিবাসী ৰাজনীতিয়ে দেখুৱাই দিলে জল জমীন জংঘল কেনেকৈ আদিবাসীৰ হাতত ৰাখিব লাগে।
২০২৪ৰ বছৰটোত ঘটিবলৈ লোৱা আন এক ডাঙৰ ঘটনা হ'ল এক দেশ এক নিৰ্বাচন কাৰ্যসূচীৰে সংবিধান সংশোধন কৰিবলৈ লোৱা বিজেপি চৰকাৰৰ প্ৰচেষ্টা সফল নহ'ল। বিজেপি চৰকাৰে যুটীয়া পাৰ্লামেণ্টেৰী কমিটি লৈ প্ৰস্তাৱ পঠিয়াই দিলে আলোচনাৰ বাবে। ২০২৫ ত দেশৰ মানুহৰ ভাগ্য দেশৰ সংবিধানৰ দশা কি হয় দেখা যাব। ২০২৫ চনটো এইবাবেই দেশৰ মানুহৰ বাবে এক উল্লেখযোগ্য বছৰ হিচাপে চিহ্নিত হ'ব। প্ৰশ্নটো ৰৈ গৈছে সাংসদসকলৰ মাজত। সঁচাকৈয়ে দেশৰ ৰাজনৈতিক নেতাসকলে সংবিধান প্ৰদত্ত ৰাজ্য সমূহৰ ফেডাৰেল গাঁথনি টিকাই ৰাখিব নে সংবিধানৰ এই গাঁথনি ভাঙি ৰাজ্যৰ ৰাজনৈতিক স্বাধীনতা কেন্দ্ৰৰ হাতত সমৰ্পণ কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জটিল সময়ো সহজ হৈ পৰিব!

যে আহিবলগীয়া বছৰটোত সকলোৱে সুখেৰে থাকক, শান্তি আৰু সম্প্ৰীতিৰে থাকক। এই সময়ছোৱা যথেষ্ট জটিল আৰু গুৰুত্বপূৰ্ণ সময়। ছ'চিয়েল মিডিয়াৰ বিভিন্ন ধৰণৰ কাৰ্যকলাপে পৰিস্থিতিক আৰু জটিল কৰি তুলিছে। এফালে আমি উন্নতিৰ শিখৰত আৰোহণ কৰিছো। বিপৰীতে আমি সংঘাতপূৰ্ণ জীৱনৰো সন্মুখীন হৈছো। জটিল সময়কো সহজ কৰি তুলিবলৈ আমি আধ্যাত্মিকতাৰে নিজৰ নিজৰ ক্ষেত্ৰখনত আগবাঢ়ি যাব লাগিব আৰু উন্নতি কৰিব লাগিব। এইটো বছৰত অসম গ্ৰন্থমেলাত 'কাপুৰুষৰ পৃথিৱীত' শীৰ্ষক কিতাপখনৰ বেটুপাত উন্মোচন কৰিলো। বিভিন্নধৰণৰ হিংসাৰ বলি হোৱা লোকসকলক লৈ ৩০ বছৰৰ গৱেষণাৰ অন্তত বৰ সুন্দৰকৈ মই সৰু সৰু স্নেপশ্বট উল্লেখ কৰি এখন নতুন কিতাপ আগবঢ়াই দিছো। এইকেইদিনতে ওলাব কিতাপখন। সেই প্ৰেম দ্বিতীয় পৃষ্ঠা, সেই প্ৰেম নিষিদ্ধ, মোৰ প্ৰিয় পুৰুষ ইত্যাদিৰ প্ৰতিও যথেষ্ট মানুহৰ সহাৰি পাইছো। তাৰ বাবে পাঠকসকলক ধন্যবাদ। আহিবলগীয়া বছৰটোত মোৰ যথেষ্ট পৰিকল্পনা আছে। কিতাপ লিখাটো যদিও প্ৰত্যাহ্বানমূলক কাম তথাপিও কিতাপৰ লগত জড়িত হৈ থকাৰ কাৰণে মই এটা আন্দোলন আৰম্ভ কৰি কৈছো— পঢ়ক আৰু পঢ়ুওৱাক। মই চিনেমাৰ জগতৰ পৰা আঁতৰি আছিলো যদিও এতিয়া নতুন চিনেমাৰ পৰিকল্পনা কৰিছো। ২০২৫ চনত চুটি ছবি আৰু ফিচাৰ ছবি মোৰ পাঠকক আৰু দৰ্শকক উপহাৰ দিম বুলি ভাবিছো। বিভিন্নধৰণৰ তেনে পৰিকল্পনা আছে। গৱেষণাৰ লগতো জড়িত হৈ আছো। 'ৰিবাৰ্থ উইথ দ্য বুদ্ধ বিপাসনা' বুলি ইংৰাজীতে এখন কিতাপৰ কামো কৰি আছো। সকলোৱে আশীৰ্বাদত মই সৃষ্টিৰ জগতত লিখা বা বিভিন্ন ধৰণৰ শিক্ষকতা, চিনেমা আদিৰ জৰিয়তে আপোনালোকৰ মাজত আপোনালোকৰ মৰম পাই থাকিম। সকলোলৈকে মোৰ মৰম আৰু শ্ৰদ্ধা থাকিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মানসিকতাৰ সলনি হ'ব লাগিব

হিচাপে মই এটাই আশা কৰিম, নাৰীক 'দ্বিতীয় শ্ৰেণীৰ নাগৰিক' হিচাপে গণ্য কৰাৰ মানসিকতাৰ অৱসান ঘটক। পুৰুষক বৈবাহিক স্থিতিৰ ভিত্তিত কেতিয়াও বিচাৰ কৰা নহয়, অথচ নাৰীক সদায় বৈবাহিক স্থিতিৰ ভিত্তিতে বিচাৰ কৰা হয়। একবিংশ শতিকাৰ ২৫ সংখ্যক বছৰটোৰ পৰা অন্ততঃ এই এলান্ধুকলীয়া, ৰক্ষণশীল চিন্তাৰ অৱসান ঘটক। নাৰীক ধৰ্ষণ কৰি হত্যা কৰিলেও হত্যাকাৰীৰ পৰিৱৰ্তে মানুহে, ধৰ্ষণ আৰু হত্যাৰ বলি হোৱা নাৰীগৰাকীৰহে চৰিত্ৰ, পোছাক-পৰিচ্ছদক দোষাৰোপ কৰাৰ ঘৃণনীয় প্ৰৱণতাৰ পৰিৱৰ্তন ঘটক বুলি আশা কৰিছোঁ। মই প্ৰতিবছৰে বিভিন্ন ৰুগীয়া মানুহক অৰ্থসাহাৰ্য আৰু বিভিন্ন শিশুগৃহলৈ গৰম কাপোৰ, খাদ্য প্ৰদান কৰি আহিছো; আশা কৰো নতুন বছৰত অধিক মানুহ এনে মানৱীয় আৰু সমাজ সেৱামূলক কামৰ সৈতে জড়িত হ'ব। আনহাতে ব্যক্তিগত স্তৰত 'অসমীয়া চুটিগল্পঃ বেজবৰুৱাৰ পৰা অতি সাম্প্ৰতিকলৈ', 'ভাৰতীয় সাহিত্যঃ উপন্যাস আৰু চুটিগল্পৰ বিশেষ উল্লেখেৰে, 'পাৰ্থ বিজয় দত্তৰ নিৰ্বাচিত প্ৰবন্ধ', 'পাৰ্থ বিজয় দত্তৰ নিৰ্বাচিত গল্প', 'পাৰ্থ বিজয় দত্তৰ নিৰ্বাচিত কবিতা' - মই সম্পাদনা কৰা এই পাঁচখন কিতাপ নতুন বছৰতে প্ৰকাশ পাব। পাৰ্থবিজয় দত্ত আৰ্ট গেলেৰীত কিছু নতুন চিত্ৰ আৰু শিল্পকৰ্মৰ সংযোজন ঘটিব। মই আবৃত্তি কৰা "তোমাক কি দিলোঁ মই" নামৰ কবিতাৰ ভিডিঅ'টোৱে ৰূপম ভূঞাৰ আৱহ সংগীতেৰে মুক্তি লাভ কৰিব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# বাধা-বিঘিনি ওফৰাই আগুৱাই

২০২৪ বছৰটোৱে ভাৰতৰ বাবে বৰ যোগাত্মক পৰিৱেশ এৰি থৈ যাব পৰা নাই। আমাৰ অৰ্থনীতি এইবছৰ অতি দুৰ্বল হৈছে। ভাৰতীয় টকাৰ পৰিমাণ ডলাৰৰ তুলনাত আটাইতকৈ বেছি হ্ৰাস পাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাধনমন্ত্ৰী মনমোহন সিঙক সমালোচনা কৰিছিল যে তেওঁ ডলাৰৰ তুলনাত টকাৰ প্ৰতি কোনো লক্ষ্য ৰখা নাই। কিন্তু নৰেন্দ্ৰ মোদী চৰকাৰৰ দিনতে ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য স্বাধীনতাৰ পিছত আটাইতকৈ তললৈ নামিল। এই কথাটোৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতীয় অৰ্থনীতিত নানান ধৰণৰ বিপৰ্যয়ৰ সূচনা কৰিব। তাৰ প্ৰত্যক্ষ প্ৰভাৱ ইতিমধ্যেই শ্বেয়াৰ বজাৰত পৰিছে আৰু বহু টকা শ্বেয়াৰ বজাৰৰ পৰি বিদেশী বিনিয়োগকাৰীয়ে উলিয়াই নিছে। ইয়াৰ দুটা প্ৰভাৱ দেখা যাব। প্ৰথমে অৰ্থনীতি কম গতিশীল হৈ পৰিব আৰু সাধাৰণ মানুহৰ বাবে হাতলৈ টকা অহাটো কমি যাব। দ্বিতীয় প্ৰভাৱ পৰিব ৰিজাৰ্ভ বেংকত। ৰিভাৰ্ভ বেংকে ইতিমধ্যে ১৯৯ কোটি ডলাৰ ৰিজাৰ্ভৰ পৰা বা নিজৰ সংৰক্ষিত মুদ্ৰা নিধিৰ পৰা বিক্ৰী কৰি দিছে। এইটো দেশৰ অৰ্থনীতিৰ বাবে অশনি সংকেত। ৰিজাৰ্ভ বেংকে যদি টকা বিক্ৰী কৰিবলগীয়া হয় সি আমাৰ অৰ্থনীতি দুৰ্বল কৰি তোলে অৰ্থাৎ আমাৰ অৰ্থনৈতিকভাৱে ক্ৰয় কৰিব পৰাৰ ক্ষমতা কমি অহাৰ সূচনা কৰে। ইয়াৰ বাহিৰেও পৰিৱেশ সংক্ৰান্তীয় সমস্যা থাকিব। দেশৰ প্ৰতি বিভিন্ন স্তৰত ভাবুকি আহিছে। আৰু সেই ভাবুকিসমূহ নিয়ন্ত্ৰণ কৰিবলৈ ভাৰত চৰকাৰে যিবিলাক ব্যৱস্থা গ্ৰহণ কৰিছে সেই ব্যৱস্থাবোৰ কিন্তু তলৰ ক্ষেত্ৰত বৰ কাৰ্যকৰী হোৱা নাই। এই দুটা প্ৰধান ধৰণৰ অৰ্থনৈতিক পৰিৱেশটোৱে অলপ হয়তো দুৰ্বল স্থিতিলৈ নিব পাৰে। তাৰ পিছতো ভাৰতীয় মানুহৰ এটা অভ্যাস আছে, আৰু সেই অভ্যাস হৈছে যেনে তেনে কিছু টকা সঞ্চয় কৰা। আৰু সেই সঞ্চয় কৰা গুণটোৰ বাবে ভাৰতীয় অৰ্থনীতিয়ে এটা ৰিজিলেন্ট ফৰ্ম সদায়েই পাই আছে। বিভিন্ন বিপৰ্যয়ৰ পিছতো ভাৰতীয় অৰ্থনীতি বিধ্বস্ত হোৱা নাই। ২০২৫ত যে অৰ্থনীতি বিধ্বস্ত হ'ব এনে নহয়। বেংকসমূহৰ সেৱাৰ পৰিসৰ, বিভিন্ন কৰ-কাটল চৰকাৰে বৃদ্ধি কৰিব লাগিব। কিয়নো চৰকাৰে যিটো হাৰত বস্তুবোৰ ৰাইজৰ কাৰণে বিনামূলীয়া কৰিবলৈ গৈ আছে সেয়া খুবেই ভয়ংকৰ। অলপ দিন আগতে আম আদমী পাৰ্টীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দিল্লীৰ অৰবিন্দ কেজৰিৱালে কৈছে যে এইবাৰ তেওঁ মন্দিৰৰ পুৰোহিত আৰু গুৰুদ্বাৰত থকা যিবিলাক উপাসক তেওঁলোকক মাহে ১৮ হাজাৰকৈ টকা দিব। এনেকুৱাৰ ধৰণৰ অৰ্থনৈতিক পৰিৱেশবিলাক যেতিয়া বিভিন্ন চৰকাৰে গ্ৰহণ কৰে তেতিয়া সাধাৰণ মানুহৰ টকা অহাৰ ৰাস্তাবোৰ কমি কমি আহে। কিয়নো চৰকাৰে এতিয়া উদ্যোগমুখী পৰিকল্পনাবিলাক গ্ৰহণ নকৰে। চৰকাৰৰ অৰ্থনীতি আৰু চৰকাৰৰ কাম-কাজ নিয়ন্ত্ৰণমুখী। এই ক্ষেত্ৰত অলপ অৰ্থনৈতিক বিপৰ্যয় থাকিব। তাৰ পিছতো আমি এটা ভাল ভৱিষ্যতৰে আশা কৰো। গতিকে সেই ফালৰ পৰা ২০২৫ত দুটা-তিনিটা ভাল কথাও হ'ব। ভাৰতীয় অৰ্থনীতিৰ পৰিসৰ বৃদ্ধি পাব। বেংকিং ব্যৱস্থা, অনলাইন ব্যৱস্থাবোৰে সাধাৰণ মানুহক সামৰি ল'ব। এইটো আগতে কৰিব পৰা নাছিল। অনলাইনযোগে বিভিন্ন পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে। লাগে লাহে তলৰ মানুহবিলাকলৈ এটা বেনিফিট যাব। কিন্তু কিছুমান মানুহৰ হাতত ধন বা বিত্ত গোট খোৱাৰ যিটো প্ৰৱণতা সেইটো বৃদ্ধি পাব। অকল ভাৰততে নহয় পৃথিৱীজুৰি কিছু নিৰ্দিষ্ট মানুহ ধনী হ'ব। ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান সমগ্ৰ বিশ্বৰ লগতে ভাৰততো বাঢ়িব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমীয়া জাতি হিচাপে কৰিবলৈ বহুত

যদিও আমি সাধাৰণভাৱে আনন্দৰ দিন বুলি ভাবি লও। এই দিনটোত আমি আগন্তুক বছৰটোৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিব লাগে। লগতে পাৰ হৈ যোৱা বছৰেটোত যিখিনি সাফল্যৰ অভাৱ থাকিল বা যিখিনি ভুল হ'ল সেইখিনি যাতে নকৰো তাৰ বাবে আমি সাৱধান হ'ব লাগিব। মই আশা কৰিছো ২০২৫ চনটোত একবিংশ শতিকাৰ চাৰিভাগৰ একভাগ গ'লেই। সময়ৰ ফালৰ পৰা আমি যথেষ্ট আগবাঢ়ি গ'লো। গতিকে আমি এটা জাতি হিচাপত আমাৰ বহুত কৰিবলগীয়া আছে। কাৰণ অসমীয়া জাতিটো বিশ্বৰ এটা অংশ হিচাপে চিন্তা কৰিলে ভাল। তেতিয়া হ'লে আমি দেখিম যে আমাৰ কৰণীয় বেছিভাগেই এতিয়াও পৰি আছে। সেই কাৰণে আমি জাতীয় চেতনাৰে উদ্বুদ্ধ হোৱাৰ দৰকাৰ। মই আশা কৰিছো। এই চনটোৰ পৰাই আমি যে সেই দিনটোত আগবাঢ়িব পাৰো। মই লিখিব নোৱাৰা হ'লো। পৰিকল্পনা কৰিব নোৱাৰা হ'লো। তথাপিও কিবা যদি কৰিব পাৰো কৰিম। নতুন গ্ৰন্থ লিখিব নোৱাৰা হ'লো। চকুৱে আমনি কৰে। মগজুৱে আমনি কৰে। পাহৰি যোৱা ৰোগটো হৈছে। মই লিখা উচিত বুলি নাভাবো। তথাপিও সাধাৰণ দুই এটা হয়তো কেতিয়াবা লিখিব পাৰো। নতুন প্ৰজন্মলৈ আহ্বান বুলি একো নাই। তেওঁলোকৰ ওপৰতে দেশখনৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। তেওঁলোকে দায়িত্বশীল হৈ নিজৰ কৰ্তব্য কৰি যাওক। 'ই-সংবাদ' নামৰ অনলাইন দৈনিক কাকত ওলাইছে বুলি জানি সুখী হৈছো। এইটো এটা ভাল পদক্ষেপ। নতুন প্ৰজন্মক 'ই-সংবাদ'-এ সামৰি ল'ব বুলি মই বিশ্বাসী। কাৰণ বৰ্তমান ইন্টাৰনেটৰ যুগ। এতিয়া সমগ্ৰ বিশ্বকে ইন্টাৰনেটে সামৰি লৈথে। 'ই-সংবাদ' নামৰ অনলাইন কাকতখনেও অনাগত দিনত পাঠক সমাজক নিসন্দেহে চুই যাব। বিশেষকৈ তৰুণ প্ৰজন্মক ই-সংবাদে স্পৰ্শ কৰিবলৈ সক্ষম হ'ব বুলি মই ভাবো। বছৰটোৰ শেষভাগত যিসকল অসম সাহিত্য সভালৈ নিৰ্বাচিত হৈছে তেখেতসকলে নতুন উদ্যমেৰে কাম কৰি যাওক। সাহিত্য সভা বুলি ক'লে আমাৰ যিবিলাক ধাৰণা আছে সেই ধাৰণা বিলাক কিমান শুদ্ধ, কিমান অশুদ্ধ সেইটো নতুন মানুহে সদায় চিন্তা কৰিব লাগে। ড০ গোস্বামী মোৰ বৰ ঘনিষ্ঠ ব্যক্তি। তেখেতৰ সামৰ্থ্যৰ কথা জানো। তেখেতৰ পৰিচালনাত সাহিত্য সভাই এটা নতুন গতি লাভ কৰিব বুলি মই আশা কৰিছো। মোৰ ফালৰ পৰা সকলোকে পুনৰ নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিছো।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নতুন কেৰিয়াৰে কঢ়িয়াব আশাৰ বাৰ্তা

নৱবৰ্ষটিত ৰাজ্য তথা দেশখনৰ শান্তিৰ কামনা কৰা লগতে এক সুস্থ ৰাজনৈতিক বাতাবৰণ কামনা কৰিছো। ইয়াৰ বাবে সময় সাপেক্ষে নিজেও সাধ্যানুসৰি কৰিব পৰাখিনি কৰিবলৈ চেষ্টা কৰিম। ইণ্টাৰনেটৰ জৰিয়তে ২০০০চনৰ অসমৰ যোগাত্মক খবৰবোৰ ই-মেইল গোট তথা ছ'চিয়েল নেটৱৰ্কিং ছাইটবোৰৰ যোগেদি ৰাইজক জনোৱা কামটো নতুন বছৰতো কৰিম। নতুন নতুন বিষয় বস্তুলৈ বাতৰি কাকত তথা আলোচনীৰ 'সম্পাদকলৈ চিঠি' লিখিম। নতুন নতুন বিষয়ক লৈ, নতুন নতুন কেৰিয়াৰক লৈ কেৰিয়াৰ সম্পৰ্কীয় লেখা বাতৰি কাকত আৰু আলোচনী বাবে লিখিম। ২০০৫ বৰ্ষৰ পৰা প্ৰত্যেক শনিবাৰে বিয়লি ৬ বজাৰ পৰা ৯ বজাৰ ভিতৰত ফোন (০৯৪৩৫১৮৮৬৩০) যোগেদি বিনামূলীয়াকৈ শিক্ষাৰ্থী তথা অভিভাৱকসকলৰ কেৰিয়াৰ বিভিন্ন বিষয়ৰ প্ৰশ্নৰ উত্তৰ দিয়া কামটো নতুন বছৰতো কৰিবলৈ চেষ্টা কৰিম আৰু কেৰিয়াৰ পৰামৰ্শ অনুষ্ঠানবোৰত অংশগ্ৰহণ কৰিম। লগতে 'বনলতা'ই প্ৰকাশ কৰা 'কেৰিয়াৰ হাতপুথি'খন অসমৰ চুকে-কোনে উপলব্ধ হোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চেষ্টা কৰিম যাতে অসমীয়া মাধ্যমৰ সকলো শিক্ষাৰ্থীৰ হাতত 'কেৰিয়াৰ হাতপুথি'খন পৰে।

---

**ৰানু বৰুৱা**
বিশিষ্ট পৰিৱেশ কৰ্মী

> **পৃথিৱীখন মানুহৰ বাসোপযোগী হৈ থাকিব নে নাই সেই লৈ চিন্তা হয়!**

**অনাগত বছৰটোত**, অৰ্থাৎ ২০২৫ চনৰ বছৰটোত সাংঘাটিক একো হোৱাৰ আশা নাই। ৰাজনৈতিক উত্থান-পতন, যুদ্ধ-বিগ্ৰহ, হত্যাকাণ্ড, দুৰ্যোগ, দুৰ্ঘটনা ইত্যাদিৰ দৰে ঘটনাসমূহ ঘটিয়েই থাকিব। ইয়াত নতুনত্ব একো নাই। কিন্তু লক্ষণীয় হ'ব, পৃথিৱীখন বাসোপযোগী হৈ থকাৰ বাবে মানুহে নিজৰ স্বাৰ্থৰ বাবে কি পন্থা হাতত ল'ব! মোৰ চিন্তা হৈছে, অহা বছৰটোত মানৱ জাতিটোৱে কিমান সুৰক্ষিতভাৱে নিজৰ গ্ৰহটোত বিচৰণ কৰিব পাৰিব!

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৫ত মানুহৰ আপোন হৈ পৰিব

কৰিব প্ৰযুক্তি বিজ্ঞানে। বিশেষজ্ঞসকলৰ মতে, ২০২৫ চনত কৃত্ৰিম বুদ্ধিমত্তা (এআই) প্ৰযুক্তিৰ বিকাশে সাধাৰণ মানুহৰ জীৱন অধিক সহজ কৰি তুলিব। বিশেষজ্ঞসকলে লগতে কয় যে ২০২৪ চনত এ আইয়ে যি ৰূপান্তৰ আৰম্ভ কৰিছিল, সেই পৰিৱৰ্তনে অহা বছৰ বিভিন্ন খণ্ডক আৰু অধিক ফলপ্ৰসূভাৱে সলনি কৰিব। উদ্যোগ, শিক্ষা, ৰবটিক্স, ডিজিটেল পেমেণ্টৰ পৰা আৰম্ভ কৰি প্ৰায় প্ৰতিটো ক্ষেত্ৰতে এ আইৰ ভূমিকা বৃদ্ধি পাব এই বছৰ। Gnani.ai ৰ সহ-প্ৰতিষ্ঠাপক গণেশ গোপালনে কয় যে ২০২৪ চনত জেনেৰেটিভ এ আইয়ে গ্ৰাহক সেৱা আৰু সৃষ্টিশীল উদ্ভাৱনক ৰূপান্তৰিত কৰিব। ২০২৫ চনত ক্ষুদ্ৰ ভাষাৰ আৰ্হি (এছএলএম) আৰু স্পিচ-টু-স্পিচ বৃহৎ ভাষাৰ আৰ্হি (এলএলএম)-য়ে স্বাস্থ্যসেৱা, বেংকিং, অটোমোটিভ, আৰু টেলিকমত বৈপ্লৱিক পৰিৱৰ্তন আনিব। এছএলএমসমূহে নিখুঁত আৰু দ্ৰুত সেৱা প্ৰদান কৰিব, আনহাতে এলএলএমসমূহে একাধিক ভাষাত বাস্তৱ সময়ত নিৰৱচ্ছিন্ন যোগাযোগ সক্ষম কৰিব। ইফালে এই বছৰটোত শিক্ষাত এ আই, ভাৰ্চুৱেল ৰিয়েলিটি (ভি আৰ), আৰু অগমেণ্টেড ৰিয়েলিটি (এ আৰ)ৰ ব্যৱহাৰে শিক্ষণক অধিক ব্যক্তিগতকৃত আৰু ফলপ্ৰসূ কৰি তুলিব। মহিন্দ্ৰা ইউনিভাৰ্চিটিৰ উপাচাৰ্য ডঃ ইয়াজুলু মেডুৰীয়ে কয় যে এ আই প্ৰযুক্তিয়ে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষণৰ ব্যৱধান পূৰণ কৰাত আৰু তেওঁলোকৰ সম্পূৰ্ণ সম্ভাৱনা লাভ কৰাত সহায় কৰিব। একে সময়তে শিক্ষা খণ্ডত অধিক ইণ্টাৰেক্টিভ পদ্ধতি প্ৰৱৰ্তন কৰা হ'ব বুলি আশা কৰা হৈছে। তদুপৰি ২০২৫ বৰ্ষটোত ৰবটিক্সতো এ আইয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মৰিট'ৰ সহ-প্ৰতিষ্ঠাপক পুৰু ৰাষ্টোগীয়ে কয় যে এ আই চালিত ৰবটসমূহে বাস্তৱ সময়ৰ সিদ্ধান্ত গ্ৰহণ আৰু পূৰ্বাভাসমূলক ৰক্ষণাবেক্ষণত অধিক কাৰ্যক্ষম হ'ব, যাৰ ফলত ঔদ্যোগিক উৎপাদনত নতুন মানদণ্ড নিৰ্ধাৰণ সম্ভৱ হ'ব। ইয়াৰ লগতে ডিজিটেল পেমেণ্ট চিষ্টেমতো এ আইৰ ব্যৱহাৰ আৰু অধিক বৃদ্ধি পাব নতুন বছৰটোত। ক্ৰিপ্টোগ্ৰাফী, টোকেনাইজেচন, আৰু বায়'মেট্ৰিক প্ৰমাণীকৰণ প্ৰযুক্তিয়ে লেনদেনসমূহ অধিক সুৰক্ষিত কৰি তুলিব। আইডেমিয়া গ্ৰুপৰ ভাৰতীয় শাখাৰ অধ্যক্ষ মেথিউ ফক্সটনে কয় যে সংযুক্ত ডিভাইচ আৰু হাইপাৰ-কানেক্টিভিটিয়ে দ্ৰুত আৰু স্মাৰ্ট লেনদেন ব্যৱস্থাৰ সৃষ্টি কৰিব। এনে পৰিপ্ৰেক্ষিতত ২০২৫ বৰ্ষটো প্ৰযুক্তিগত উদ্ভাৱনৰ এক নতুন যুগ হিচাপে পৰিগণিত হ'ব বুলি দাবী কৰিছে বিশেষজ্ঞসকলে। তেওঁলোকৰ মতে এ আইৰ অগ্ৰগতিৰ ফলত নতুন ধৰণৰ চাকৰিৰ সৃষ্টি হ'ব যদিও পুৰণি কিছুমান চাকৰি বিলুপ্ত হোৱাৰো আশংকা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বছৰটোৰ শেষত মণিপুৰৰ মুখ্যমন্ত্ৰীয়ে

সিঙৰ। ২০২৪ৰ অন্তিম মুহূৰ্তত হ'লেও মণিপুৰবাসীৰ ওচৰত নতশিৰ হ'ল মুখ্যমন্ত্ৰীগৰাকী। বিগত ডেৰ বছৰৰো অধিক কাল ধৰি ৰক্তাক্ত হিংসাই ত্ৰাসৰ সৃষ্টি কৰা মণিপুৰৰ জনতাৰ ওচৰত ক্ষমা বিচাৰিলে মুখ্যমন্ত্ৰী এন বীৰেন সিঙে। মঙলবাৰে ইম্ফলত অনুষ্ঠিত সংবাদমেলত তেওঁ কয়, "ক্ষমা কৰি দিয়ক আৰু অতীতক পাহৰি যাওক। মণিপুৰলৈ শান্তি ঘূৰি আহিব। আমি ঐক্যবদ্ধভাৱে আগবাঢ়িব লাগিব।" কিন্তু প্ৰশ্ন উত্থাপন হয়, মুখ্যমন্ত্ৰীৰ এই উপলব্ধি ইমান পলমকৈ কিয়? মণিপুৰৰ মেইটেই আৰু কুকি-জো সম্প্ৰদায়ৰ মাজত ২০২৩ৰ ৩ মে'ৰ পৰা আৰম্ভ হৈছিল সংঘৰ্ষ। প্ৰায় ডেৰ বছৰ ধৰি চলি থকা এই হিংসাত্মক ঘটনাত ২৫০ জনতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে, হাজাৰ হাজাৰ পৰিয়াল গৃহহীন হৈছে। ৰাজ্যখনৰ এনে আতংকময় পৰিস্থিতিৰ সময়ত মুখ্যমন্ত্ৰী ক'ত আছিল বুলি এতিয়া প্ৰশ্ন কৰিছে বিৰোধীয়ে? ইফালে মঙলবাৰে মুখ্যমন্ত্ৰীয়ে কয় যে, "গোটেই বছৰৰ পৰিঘটনাবোৰ অতি দুৰ্ভাগ্যজনক। মই অনুশোচনা কৰি ক্ষমা বিচাৰিছো। অৰশ্যে যোৱা কেইমাহমানৰ শান্তিপূৰ্ণ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মোৰ দৃঢ় বিশ্বাস যে ২০২৫ চনৰ ভিতৰত ৰাজ্যখনত স্বাভাৱিক অৱস্থা ঘূৰি আহিব।" লগতে ৰাজ্যৰ ৩৫টা জনজাতীয় সংগঠনক একেলগে সমন্বয়ৰে আগবাঢ়িবলৈও আহ্বান জনায় এন বীৰেন সিঙে। কিন্তু মুখ্যমন্ত্ৰীৰ এই ক্ষমাপ্ৰাৰ্থনা আৰু অনুশোচনা কেৱল এক শ্ব' অফ বুলি অভিহিত কৰিছে বিৰোধীয়ে। মণিপুৰত চলি থকা হিংসাত্মক ঘটনা ৰোধৰ বাবে ৰাজ্যৰ গেৰুৱা চৰকাৰে সময়োপযোগী পদক্ষেপ লোৱাত ব্যৰ্থ হোৱা বুলি দাবী কৰিছে তেওঁলোকে। লক্ষণীয় যে, ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধ স্থগিত ৰখা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ডেৰ বছৰত এবাৰো ভ্ৰমণ কৰা নাই মণিপুৰ। সমান্তৰালভাৱে ৰাজ্যখনৰ অশান্ত পৰিস্থিতিক লৈ দীৰ্ঘ সময় ধৰি মৌন আছিল কেন্দ্ৰীয় চৰকাৰো। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হোৱাৰ পিছতহে মণিপুৰক লৈ সক্ৰিয় হয় গৃহমন্ত্ৰী অমিত শ্বাহ। যাৰ বাবে ইমান দিনৰ মূৰত মুখ্যমন্ত্ৰীৰ ক্ষমাপ্ৰাৰ্থনাক উপহাস কৰি বিৰোধীয়ে কয়, "শান্তিৰ কথা কোৱাৰ আগতে নিজৰ ব্যৰ্থতা স্বীকাৰ কৰক।" ৰাজ্যত শান্তি ঘূৰাই অনাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে দিয়া নতুন প্ৰতিশ্ৰুতিৰ ওপৰত কিমান বিশ্বাস ৰাখিব পাৰি সেয়াও প্ৰশ্ন উত্থাপন কৰিছে বিৰোধীয়ে। মণিপুৰবাসীৰ জীৱনলৈ কিমান সোনকালে শান্তি ঘূৰি আহিব সেয়া সময়েহে ক'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শাসকে ৰাইজৰ সকীয়নি শুনিব লাগিব

সঠিকভাৱে আগুৱাই যাব পাৰিব। আজি অসম তথা সমগ্ৰ দেশ তথা দেশবাসীৰ গভীৰ সংকট। প্ৰকৃত তথ্য মানুহক বহু সময়ত জনোৱা নহয়। বহু সময়ত তথ্য লুকুওৱা হয়। শক্তিশালী মহলে এই কামবিলাক কৰি থাকে। বিকৃত তথ্য, বিকৃত বিৱৰণ, এইবোৰেৰে বাতৰিকাকত ভৰি থাকে। গতিকে এই সময়ত সঠিক তথ্য যোগান আৰু পৰিৱেশন অত্যন্ত গুৰুত্বপূৰ্ণ গণতন্ত্ৰৰ বাবে। কাৰণ তাহানিৰে পৰা গণতন্ত্ৰ হৈছে শাসক শ্ৰেণী আৰু শাসিত জনগণৰ মাজত সম্পৰ্ক ৰক্ষাৰ এটা মাধ্যম। শাসক শ্ৰেণীয়ে যাতে স্বৈৰতন্ত্ৰী আচৰণ নকৰে সেই কাৰণে ৰাইজৰ সকীয়নি শুনিব লাগিব। যি সকীয়নি খবৰ কাগজৰ মাজেৰে প্ৰকাশ পায়। ৰাইজেও নিজৰ দায়িত্ব নুভৱ কৰি, সাংবাদিকেও অনিজৰ দায়িত্ব অনুভৱ কৰি ৰাইজৰ সুখ-দুখ, আশা-আকাংক্ষাৰ সকলোবোৰ খবৰ সময়মতে, শাসক শ্ৰেণীক জনাই থাকিব লাগিব। কাকতখন এটা মাধ্যম। জনগণে মত প্ৰকাশ কৰা মাধ্যম। কথাটো পাহৰিব নালাগে। এই দায়িত্ব যাতে সুচাৰুৰূপে পালন কৰে তাৰ কাৰণে মোৰ শুভেচ্ছা জনাইছো। আশা কৰো এই দায়িত্ব সাংবাদিসকলে, সংবাদপত্ৰখনে পালন কৰিব।

# নতুন বছৰটোত ৰাইজৰ হকে আৰু বহুত কাম কৰি যাব লাগিব

**বছৰ আহে** আৰু যায়। নতুন বছৰটোত বহু আশা-পৰিকল্পনা থাকে। পুৰণি বছৰটোত কিমান দূৰ সফল-বিফল হ'লো সেয়া ৰাইজে বিচাৰ কৰিব। ২০২৫ বৰ্ষ আহিল। বহু প্ৰত্যাহ্বান আহিব। বহু আঁচনি আছে। বহু চিন্তা আছে। ৰাইজৰ সেৱাত যাতে ভালকৈ ব্ৰতী হ'ব পাৰো, ৰাইজে আশা কৰা ধৰণে যাতে কামখিনি কৰি যাব পাৰো তাৰ বাবে চেষ্টা কৰিম। চিন্তা-



■ পোনাকণ বৰুৱা
বিধায়ক, চাবুৱা সমষ্টি

"বহু প্ৰত্যাহ্বান আহিব, যাব। বহু আঁচনি আছে। বহু চিন্তা আছে।"

পৰিকল্পনা বহুত আছে। চিন্তা-পৰিকল্পনা আগত ৰাখি, দলীয় সতীৰ্থসকলক লগত লৈ, ৰাইজৰ সহযোগত চাবুৱা-লাহোৱাল সমষ্টিক ন-ৰূপত সজাবলৈ প্ৰয়াস কৰিম। ৰাইজৰ সহায় হ'ব পৰাকৈ কিছু যুগুত কৰিম। আগন্তুক বছৰটো যাতে সকলোৰে কাৰণে কুশল-মংগল হয় তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। সকলোকে নতুন বছৰৰ শুভেচ্ছা জানালো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আম্বেদকাৰৰ প্ৰতিমূৰ্তি মুকলি কৰি

কৰি দিব লাগে বুলি বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই আজি মুখ্যমন্ত্ৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত শইকীয়াই উল্লেখ কৰে যে দেশৰ সংবিধান ৰচয়িতাজনৰ পূৰ্ণাংগ মূৰ্তিটো হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ অহাৰ পিছতে ওখ দেৱাল দি ৰাইজে নেদেখাকৈ ঢাকি দিয়া হৈছে। বাবাচাহেব আম্বেদকাৰৰ প্ৰতি এয়া চূড়ান্ত অপমান বুলি উল্লেখ কৰি তেওঁ কয় যে সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ থকা সময়ত বাবাচাহেব আম্বেদকাৰৰ নামত এক গৱেষণা প্ৰতিষ্ঠান আৰম্ভ কৰিব বুলি ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। কিন্তু সেই ঘোষণা অসাৰ হৈ পৰিল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰীজনে তাতকৈ বেছি অপমানজনকভাৱে আম্বেদকাৰৰ প্ৰতিমূৰ্তিটোকে ঢাকি দিয়াৰ ব্যৱস্থা কৰিলে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ লিখা পত্ৰখনত শইকীয়াই আম্বেদকাৰৰ প্ৰতিমূৰ্তি ৰাজহুৱা কৰা আৰু তেখেতৰ নামত এটা গৱেষণা প্ৰতিষ্ঠান আৰম্ভ কৰাৰ দাবী উত্থাপন কৰে। ইফালে, শইকীয়াই বৰ্তমানৰ চৰকাৰখনে বিগত বৰ্ষটোত ঘোষণা কৰা প্ৰতিশ্ৰুতি পালন কৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে। ১ লাখ ৫৫ হাজাৰ কোটি টকা ঋণৰ বোজা লোৱা চৰকাৰখনে এই ধনৰাশি কি কামত ব্যৱহাৰ কৰিছে সেই কথা ৰাজহুৱা কৰিব লাগে বুলি দাবী উত্থাপন কৰি কয় যে কেৱল ফ্লাই অভাৰ নিৰ্মাণ কৰিলেই ৰাইজৰ মৌলিক সমস্যা সমাধান নহয়। একেদৰে চৰকাৰে হিতাধিকাৰী সৃষ্টি কৰি সেইসকল দুখীয়া ৰাইজক পঞ্চায়ত নিৰ্বাচনত প্ৰতিনিধি হিচাপে নিৰ্বাচিত হ'বলৈ নিদিয়াৰ যি ভয়ংকৰ ষড়যন্ত্ৰ কৰিছে সেয়া ধনী মানুহৰ হাতলৈ শাসনভাৰ অনাৰ ষড়যন্ত্ৰ বুলি শইকীয়াই উল্লেখ কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে শেহতীয়াকৈ মুকলি কৰা জাননীত পঞ্চায়ত নিৰ্বাচনত হিতাধিকাৰীসকলে অংশগ্ৰহণ কৰিব নোৱাৰিব বুলি উল্লেখ কৰিছিল। এই জাননী অগণতান্ত্ৰিক বুলিও শইকীয়াই উল্লেখ কৰে। ইফালে, অসমত সাধাৰণ শ্ৰেণীৰ নাগৰিকৰ ওপৰত নিৰ্যাতন বৃদ্ধি হোৱাত উদ্বেগ প্ৰকাশ কৰি আৰক্ষীক ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰে। বঙাইগাঁৱৰ এটা দৰিদ্ৰ পৰিয়ালৰ প্ৰতিনিধি ধৰ্মেন্দ্ৰ নাথক নৃশংসভাৱে হত্যা কৰাৰ পিছত আৰক্ষীয়ে সঠিকভাৱে তদন্ত নকৰা আৰু কেৱলমাত্ৰ ভাৰপ্ৰাপ্ত বিষয়াজনকহে শাস্তিমূলক বদলি কৰাটোত আশ্চৰ্য প্ৰকাশ কৰি ধৰ্মেন্দ্ৰ নাথৰ হত্যাৰ লগত জড়িত অভিযুক্তক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। অসমত সকলো পৰ্যায়তে অপৰাধ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি শইকীয়াই কয় যে নাৰীজনিত অপৰাধ অসমত সৰ্বাধিক যদিও আৰক্ষীৰ হেমাহিৰ বাবে অভিযুক্তসকল সাৰি যাবলৈ সক্ষম হৈ আহিছে। ২০২১ চনৰ মে' মাহৰ ২০২২ চনৰ আগষ্ট পৰ্যন্ত অসমত ১৭১টা আৰক্ষীৰ দ্বাৰা এনকাউণ্টাৰ হোৱা বুলি উল্লেখ কৰি শইকীয়াই কয় যে আৰক্ষীৰ এনকাউণ্টাৰত ৫৬জন লোকৰ মৃত্যু হৈছে আৰু ১৪৫ জন গুৰুতৰভাৱে আহত হৈছে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ অসম সন্তান উজ্জ্বল ভূঞাই চৰকাৰৰ দ্বাৰা সংঘটিত এনে ঘটনা বে-আইনী বুলি উল্লেখ কৰিছে। সাধাৰণ মানুহৰ ভীতিগ্ৰস্ত কৰিবৰ বাবে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনে আইন বহিৰ্ভূত হত্যাৰ লগত জড়িত বুলি তেখেতে উল্লেখ কৰে। শইকীয়াই অসমৰ ২৫ খন জিলাত জলবায়ু পৰিৱৰ্তনৰ বিষয়টো উল্লেখ কৰি এই জলবায়ু পৰিৱৰ্তনে চাহখেতিত ব্যাপক প্ৰভাৱ পেলাব বুলি কয় আৰু অসমৰ অৰ্থনীতিত ক্ষুদ্ৰ চাহখেতিয়কসকলে যি বৰঙণি আগবঢ়াই আহিছে ইয়াৰ দ্বাৰা সেয়া ক্ষতিগ্ৰস্ত হ'ব বুলি উল্লেখ কৰে। চীনৰ বৃহৎ নদীবান্ধ সন্দৰ্ভত ব্ৰহ্মপুত্ৰৰ ওপৰত পৰিব পৰা প্ৰভাৱ ৰাজহুৱা কৰিবলৈকো শইকীয়াই চৰকাৰৰ প্ৰতি আহ্বান জনায়। সংবাদমেলৰ আঁত ধৰে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা শৈলেন সোণোৱালো উপস্থিত আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নৱবৰ্ষৰ উপহাৰ দিবলৈ সাজু মুখ্যমন্ত্ৰী

অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ব্যস্ত থাকিব জনসেৱা কৰাত। বছৰটোৰ প্ৰথম দিনটোত মুখ্যমন্ত্ৰীয়ে পুৱা ৯ বাজি ৪৫ মিনিটত পল্টন বজাৰৰ পদপথ সেঁতু উদ্বোধন কৰিব। ১০ বাজি ১৫ মিনিটত পুনৰ বিকাশ কৰা ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ সমাধিস্থল উদ্বোধন কৰিব। ১০ বাজি ৫০ মিনিটত খানাপাৰাত নিৰ্মাণ কৰা আন্তঃৰাজ্যিক বাছস্থান মুকলি কৰিব। লগতে ৫৬ খন ইলেট্ৰিক বাছৰ সেৱা আৰম্ভ কৰিব। ১১ বাজি ৩০ মিনিটত কইনাধাৰাত এখন সংবাদমেল সম্বোধন কৰিব। ১ বাজি ৩০ মিনিটত মুখ্যমন্ত্ৰীৰ নেতৃত্বাধীন কেবিনেটৰ বৈঠক কইনাধাৰাতে অনুষ্ঠিত হ'ব। ৩ বাজি ৩০ মিনিটত ৰপাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানৰ আধুনিকৰণৰ শিলান্যাস কৰিব। ৪ বাজি ৪৫ মিনিটত জ্যোতি চিত্ৰবনৰ প্ৰেক্ষাগৃহৰ শিলান্যাস কৰিব মুখ্যমন্ত্ৰীয়ে। ইপিনে আজি মুখ্যমন্ত্ৰী কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। চাহ বাগিচাৰ এটিচিএলৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলক ২০ বোনাচ প্ৰদানৰ ঘোষণা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ২০২৫ বৰ্ষৰ পহিলা দিনটোৰ পৰা মুকলি হ'ব তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণৰ প'ৰ্টেল 'স্বাগত সতীৰ্থ'। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ যোগে আন এক বিশেষ কাম কৰাৰ কথা প্ৰকাশ কৰিছে। সেয়া হৈছে আধাৰ লাভৰ পৰা বঞ্চিত প্ৰায় ৯ লাখ লোকৰ বায়'মেট্ৰিক মুকলি কৰি দিয়া। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এনআৰচি) উন্নীতকৰণৰ সময়ত ফ্ৰীজিং লোকসকলৰ বায়'মেট্ৰিক আনলক কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। আজি মুখ্যমন্ত্ৰীয়ে কয় "দিল্লী আৰু দিছপুৰৰ দ্বৈত ইঞ্জিন চৰকাৰে অসমৰ জনসাধাৰণৰ বিকাশ আৰু উন্নয়ন নিশ্চিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সদিচ্ছামূলক পদক্ষেপ আৰু মাননীয় শ্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ সক্ৰিয় দৃষ্টিভংগীৰ সৈতে অসমত ৯ লাখৰো অধিক লোকৰ বাবে ২০২৪ চনত তেওঁলোকৰ আধাৰ বায়'মেট্ৰিক মুকলি কৰি সকলো চৰকাৰী সেৱা আৰু সুবিধা অসুবিধামুক্ত ভাৱে প্ৰাপ্ত কৰাৰ ব্যৱস্থা প্ৰদান কৰে।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিগত ১৬ মাৰ্চত ঘোষণা কৰি কৈছিল যে নাগৰিকত্ব সংশোধনী আইন, ২০১৯ ৰূপায়ণৰ লগে লগে এক স্পষ্টতাৰ উদ্ভৱ হৈছে আৰু ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এনআৰচি) উন্নীতকৰণৰ সময়ত ফ্ৰীজিং লোকসকলৰ বায়'মেট্ৰিক আনলক কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। মই এই প্ৰক্ৰিয়াটো সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থা আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে আলোচনা কৰিম আৰু আশাকৰো নিৰ্বাচনৰ পিছতে ইয়াৰ সমাধান হ'ব। ৰাজ্যখনৰ প্ৰায় ২৭ লাখ লোকৰ বায়'মেট্ৰিক লক কৰা হৈছিল আৰু ফলত আধাৰ কাৰ্ড পাবলৈ তেওঁলোক অক্ষম হৈছিল। মুখ্যমন্ত্ৰীয়ে কৈছিল নাগৰিকত্ব সংশোধনী আইন প্ৰণয়নৰ পিছতে বিগত দুটা বছৰত আমি চিএএ সম্পৰ্কে উত্থাপিত সন্দেহ দূৰ কৰিবলৈ ভেটি স্থাপন কৰি আছিলো। এতিয়া এইটো স্পষ্ট যে ২০১৪ চনৰ পিছত অহা যিকোনো লোকক ভাৰতীয় নাগৰিকত্ব দিয়া নহ'ব। ১০০ শতাংশ নিশ্চিত যে চিএএৰ জৰিয়তে এজনো ব্যক্তি অসমলৈ নাহে। কেৱল যিসকলে এনআৰচিৰ বাবে আবেদন কৰিছিল তেওঁলোকেহে নাগৰিকত্ব লাভ কৰিব।

# সময়ৰ সৈতে খোজ মিলাই চলিবলৈ নতুন সংকল্প ল'ব লাগিব



■ ডঃ দয়ানন্দ শ্বাহ
বিশিষ্ট সামজকৰ্মী, লাহোৱাল

**আজি ইংৰাজী** নৱবৰ্ষৰ পহিলা দিন। সমূহ অসমবাসীৰ পহিলা দিনটোৰ পৰাই গোটেই বছৰটো ভাল হোৱাৰ কামনা কৰিছো। প্ৰতিগৰাকী অসমীয়াৰ ভাল হোৱাৰ কামনা কৰি ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছো। গোটেই অসমখনত শান্তিৰ কপৌ জুৰি উৰি ফুৰক। প্ৰতিটো পৰিয়ালক সুখ-শান্তি ভৰি পৰক। নতুন বছৰটোত অসমখনৰ, অসমীয়া জাতিটোৰ ভাল হোৱাৰ কামনা কৰিছো। মই নিজেও জাতিটোৰ হিতৰ হ'ব পৰা কাম কৰাৰ সংকল্প লৈছো। যিসকল নতুন প্ৰজন্মই বদ অভ্যাসত নিমজ্জিত হৈছে, যেনে নিচা আদি কৰি অবাটে গৈছে সেইসকলক মই টানি অনুৰোধ জনাও যে সমাজ-পৰিয়ালৰ স্বাৰ্থত নতুনকৈ জীৱনটো আৰম্ভ কৰক। সময়ৰ সৈতে খোজ মিলাই চলিবলৈ নতুন সংকল্প লোৱাতো প্ৰয়োজনীয়। পুনৰবাৰ নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰিলো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধৰ্মেন্দ্ৰ নাথ হত্যাক লৈ উত্তপ্ত ৰঙিয়া

মৰণোত্তৰ পৰীক্ষাৰ অন্তত ৰঙিয়াৰ ঘৰলৈ অনাৰ পিছতে উগ্ৰ হৈ পৰে ৰাইজ। মৃতদেহ ৰঙিয়া পোৱাৰ খবৰ লাভৰ পিছতে শ-শ ৰাইজ ৰাজপথলৈ ওলাই আহি ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাত প্ৰায় ৫ ঘণ্টা ধৰি সমগ্ৰ ৰঙিয়া চহৰ স্তব্ধ হৈ পৰে। শ-শ দুৰ্ঘণিবটীয়া বাহন ঘণ্টাৰ পিছত ঘণ্টা ধৰি ৰাজপথত থিয় হৈ থাকিবলগীয়া হয়। কিন্তু ৰাইজে তেতিয়াই বেছি উগ্ৰমূৰ্তি ধৰে যেতিয়াই ৰাইজৰ সমাৱেশ আৰু আন্দোলনত বেআইনী ঘোষণা কৰে আৰক্ষী-প্ৰশাসনে। ধৰ্মেন্দ্ৰ নাথ হত্যাকাণ্ডৰ উচিত তদন্ত আৰু আটাইকেইনজ দোষীক গ্ৰেপ্তাৰ কৰি শাস্তি প্ৰদানৰ দাবীত প্ৰতিবাদ কৰা ৰাইজৰ আন্দোলনক বেআইনী ঘোষণা কৰাত পৰিস্থিতি অত্যাধিক জটিল হৈ পৰে। কিন্তু প্ৰশাসনৰ উচ্চস্তৰীয় বিষয়া, কেবাগৰাকী স্থানীয় নেতাৰ হস্তক্ষেপ কৰিবলগীয়া হয়। জানিব পৰা মতে, ক্ষমতাৰ ৰাগীত মাতাল বিজেপি নেতাৰ জিঘাংসাৰ বলি হৈ প্ৰাণবায়ু উৰি যোৱা ধৰ্মেন্দ্ৰৰ মৃতদেহ আজি বিয়লি ৰঙিয়ালৈ অনা হয়। তাৰ পিছতে তীব্ৰ উত্তেজনাই বিৰাজ কৰে। ৰাইজে ধৰ্মেন্দ্ৰ নাথক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনাব খোজে। কিন্তু ৰাইজক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱাৰ সুবিধা নিদিলে প্ৰশাসনে। বিয়লি ৰাষ্ট্ৰীয় ঘাইপথৰ চেপ্টি চ'কত সমৱেত কেইবা হাজাৰ লোকে ধৰ্মেন্দ্ৰ নাথৰ নশ্বৰ দেহত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনাবলৈ আকোৰগোজ হয়। প্ৰশাসনে সমাৱেশ বেআইনী ঘোষণা কৰাত জ্বলা জুইত ঘিউ ঢলাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হয়। প্ৰশাসনে কেইবা শতাধিক আৰক্ষী, অৰ্ধ সামৰিক বাহিনী মোতায়েন কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাই যদিও উত্তেজিত জনতাই ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। মুহূৰ্ততে তীব্ৰ যান-জঁটৰ লাগে। ঘটনাস্থলীত প্ৰশাসনৰ কেবাগৰাকী উচ্চপদস্থ বিষয়া উপস্থিত হৈ প্ৰতিবাদকাৰীসকলক সৈমান কৰাৰ চেষ্টা চলায়। যদিও প্ৰায় তিনিঘণ্টাৰো অধিককাল সমগ্ৰ পৰিস্থিতিক লৈ চেপা উত্তেজনাই বিৰাজ কৰে। অৱৰোধ স্থলীত ধৰ্মেন্দ্ৰ নাথৰ মৃতদেহ আহি পোৱাত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। প্ৰাক্তন বিধায়ক অনন্ত ডেকা, সমাজকৰ্মী নৃপেন নাথকে প্ৰমুখ্য কৰি কেবাগৰাকী সমাজ সচেতন ব্যক্তিৰ তৎপৰতাত দীৰ্ঘসময় ধৰি চলা আলোচনাৰ অন্তত প্ৰতিবাদ কাৰীসকলৰ দাবী প্ৰশাসনে মানি লৈ প্ৰতিবাদক বে-আইনী ঘোষণা কৰা নিৰ্দেশ প্ৰত্যাহাৰ কৰে। প্ৰতিবাদী জনতাই শান্তিপূৰ্ণভাৱে ধৰ্মেন্দ্ৰ নাথৰ মৃতদেহ লৈ বৰদল গাঁৱলৈ ৰাওনা হয় যদিও বাসগৃহ পোৱাৰ আগমুহূৰ্তত আন একাংশ উত্তেজিত জনতাই পথ অৱৰোধ কৰাত পুনৰ আৰক্ষীয়ে বহু কষ্ট কৰি পথ খালী কৰিবলগীয়া হয়। ধৰ্মেন্দ্ৰ নাথৰ হত্যাকাণ্ডত জড়িত মুখ্য অভিযুক্ত হিমাংশু কাকতি আৰু অমূল্য লহকৰক পাঁচ দিনৰ বাবে আৰক্ষীয়ে ন্যায়িক জিম্মাত লোৱাৰ পিছত যোৱা নিশা আন চাৰি অভিযুক্ত অনুময় কলিতা, মণি কাকতি, বিকি লহকৰ আৰু নিতুল কলিতাক কোঁচবিহাৰৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আজি আন এজন অভিযুক্ত ধ্ৰুৱ মহন্তক তেজপুৰৰ পৰা গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ৰঙিয়াৰ স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই ধৰ্মেন্দ্ৰ নাথৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ লোকক সাক্ষাৎ কৰে। ধৰ্মেন্দ্ৰৰ পৰিয়াল তথা স্থানীয় ৰাইজক সাক্ষাৎ কৰি পৰিয়ালক ১০ লাখ টকা সাহায্য আগবঢ়োৱাৰ লগতে ঘটনাত জড়িত এজনো অপৰাধীয়ে ৰেহাই নাপাব বুলি নিশ্চয়তা প্ৰদান কৰি প্ৰশাসনক সকলো অভিযুক্তক শীঘ্ৰে কৰায়ত্ব কৰাৰ নিৰ্দেশ প্ৰদান কৰে। আনহাতে কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তৌফিকুৰ ৰহমানৰ নেতৃত্বত এটা দলে ধৰ্মেন্দ্ৰ নাথৰ পৰিয়ালক সাক্ষাৎ কৰি একেকোটি টকা ক্ষতিপূৰণৰ লগতে পৰিয়ালৰ এজনক কৰ্মসংস্থাপন প্ৰদানৰ দাবী উত্থাপন কৰে। মানৱ সভ্যতাক কলংকিত কৰি পিতৃ-মাতৃৰ বুকু শুদা কৰি ধৰ্মেন্দ্ৰ নাথৰ দৰে উঠি অহা যুৱক এজনক নিষ্ঠুৰতাৰে হত্যা কৰা ঘাতক বাহিনীয়ে প্ৰকৃততে উপযুক্ত শাস্তি লাভ কৰিবনে? নে আইনৰ সুৰুঙাৰে মুকলি হৈ সহস্ৰ সহস্ৰ প্ৰতিবাদী জনতাৰ অন্তৰৰ বেদনাক বৃদ্ধাংগুষ্ঠ কৰিব তাকে লৈ চিন্তিত ৰঙিয়াৰ ৰাইজ। বিজেপি নেতাই হত্যা কৰাৰ অভিযোগ উত্থাপিত ৰঙিয়াৰ ধৰ্মেন্দ্ৰ নাথ হত্যাকাণ্ডৰ উচিত তদন্তৰ দাবী ৰাইজৰ দলৰ। ৰাইজৰ দলৰ কেন্দ্ৰীয় উপ-সভাপতি হৰেশ্বৰ বৰ্মনৰ নেতৃত্বত ৰাইজৰ দল উত্তৰ কামৰূপ জিলা সমিতিয়ে ৰঙিয়াৰ মহকুমাধিপতিৰ জড়িয়তে মুখ্য সচিবলৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে। পাৰদৰ্শি আৰক্ষী বিষয়াৰ দ্বাৰা আৰু ফাষ্ট ট্ৰেক আদালতত গোচৰ চলোৱাৰ দাবী। উল্লেখ্য যে, ৰঙিয়াৰ বৰদল গাঁৱৰ নিৰীহ যুৱক ধৰ্মেন্দ্ৰই ২৫ ডিচেম্বৰত ৰঙিয়াৰ খৈৰাবাৰীৰ মালধাপাৰাৰ আশ্ৰমত বনভোজ খাবলৈ গৈ বনভোজ খাই উভতি অহাৰ সময়ত বিজেপি নেতাৰ গাড়ীত বাইকেৰে খুন্দা মৰাৰ অভিযোগ উঠিছিল। সাধাৰণ কথাতে ধৰ্মেন্দ্ৰ নাথক বৰ্বৰভাৱে প্ৰহাৰ কৰিছিল একাংশ বিজেপিৰ নেতাই। ধৰ্মেন্দ্ৰ নাথে প্ৰাণ ৰক্ষা কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল। বিজেপিৰ নেতা অংশুমন কলিতা, হিমাংশু কাকতিসহ ১২জনে ২১ বছৰীয়া প্ৰহাৰৰ পাছতে ধৰ্মেন্দ্ৰ নাথ নিৰুদ্দেশ হৈ থাকে। ধৰ্মেন্দ্ৰ নাথক হত্যা কৰাৰ অভিযোগ আনিছিল আত্মীয়ই। পৰিয়ালটোৱে সেই নিশাই ৰঙিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰিবলৈ উপস্থিত হৈছিল যদিও আৰক্ষীয়ে বিজেপিৰ নেতা হোৱাৰ বাবে এজাহাৰ লোৱা নাছিল। ঘটনাক কেন্দ্ৰ ৰঙিয়াত উত্তেজনাই বিৰাজ কৰিছিল। ৰঙিয়াৰ মুৰাৰাৰ বিজেপি নেতা হিমাংশু কাকতি, অমূল্য কাকতি, মণি কাকতিৰ বিৰুদ্ধে পুনৰ এজাহাৰ দাখিল কৰে। কিন্তু আৰক্ষীৰ হেমাহিৰ বাবেই ধৰ্মেন্দ্ৰ নাথ হত্যাৰ বলি হোৱাৰ অভিযোগ উঠিছিল। তাৰ পিছতে ৩০ ডিচেম্বৰত ৰঙিয়াৰ খৈৰাবাৰীৰ মালধাপাৰা এলেকাৰ পুখুৰীত হাত-ভৰি বন্ধা অৱস্থাত মৃতদেহ উদ্ধাৰ হৈছিল।

# নতুন বছৰটোত কোনো লোক বিভেদ, বৈষম্য, ঘৃণাৰ চিকাৰ নোহোৱাতো কামনা কৰিছো

**নতুন বছৰটোত** নতুন সংকল্প ল'বলৈ সদায়েই আগ্ৰহী। মই এটা কথাই ভাবো যে নতুন বছৰটোত আন কিবা হওক বা নহওক অসমতখনলৈ শান্তি আহক। অসমখনত সকলোৱে সমিল-মিলেৰে বসবাস কৰিব যাতে পাৰো সেই পৰিৱেশ গঢ়ি উঠক। সংকল্প বুলি একো নাই। যিহেতু ৩০ বছৰীয়া জীৱন অতিক্ৰম কৰি অহাৰ সময়ছোৱাত এটা দশক অনুসূচিত জাতিৰ অধিকাৰৰ হকে কাম কৰিছো। এই বছৰটোতো একেই সংকল্প থাকিব। সদা লাঞ্চিত-বঞ্চিত অসমৰ অনুসূচিত জাতিৰ লোকসকলৰ হিতৰ বাবে কাম কৰা। অসমৰ অনুসূচিত জাতিৰ লোকসকলৰ আৰ্থিক অৱস্থা অত্যন্ত বেদনাদায়ক। বহু পৰিয়ালে আজিও মাটিৰ ঘৰত বাস কৰে। আমাৰ পূৰ্বপুৰুষে এৰি



■ সঞ্জীৱ দাস
সভাপতি, অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ

যোৱা যি সম্পত্তি আছিল সেয়া আজি আমাৰ হাতৰ পৰা ওলাই গৈছে। কৈৱৰ্ত সমাজৰ মৎস্য চিকাৰ, মৎস্য পালনৰ আমি যি সু-নিপুনতা তাকে লৈ জনগোষ্ঠীটোৰ একাংশ লোক স্বাৱলম্বী হ'ব পাৰিলেহেঁতেন। চৰকাৰে মৎস্য পালনৰ সুবিধা কৰি দি বজাৰ এখন আৰম্ভ কৰিব পাৰিলেহেঁতেন। কিন্তু সেয়া নকৰিলে। আজি মৎস্য পালনৰ যি খাল-বিল আছিল তাক কৈৱৰ্ত সমাজৰ অধিকাৰ ক্ৰমে হ্ৰাস কৰা হ'ল। সেয়ে নতুন বছৰত আমি অংগীকাৰবদ্ধ যে ১৪০ কোটি টকীয়া কেলেংকাৰীৰ তদন্ত আৰু অনুসূচিত জাতিৰ ভুৱা প্ৰমাণপত্ৰ ব্যৱহাৰ কৰি থকা বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰা পৰ্যন্ত আমি সংগ্ৰাম কৰি যাবলৈ সংকল্পবদ্ধ। আপোনালোকৰ জৰিয়তে সকলোকে ইংৰাজী নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিছো। দেশখনৰ গণতন্ত্ৰ অধিক শক্তিশালী হওক। মানুহৰ বাক স্বাধীনতা, সমধিকাৰ, সমমৰ্যাদা অটুট থাকক। কোনো লোক বিভেদ, বৈষম্য, ঘৃণাৰ চিকাৰ বা বলি নহওক। প্ৰতিগৰাকী লোকে সমধিকাৰ, সমমৰ্যাদাৰে জীয়াই থকাৰ সুযোগ পাওক। এয়াই অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছো। আমাৰ আশা এয়াই যে নৱবৰ্ষত অনুসূচিত জাতিৰ লোকসকললৈ পৰিৱৰ্তন আহক।

# এতিয়াৰে পৰা নলবাৰীৰ ৰাজপথত ঘূৰিব মৰমীৰ ই-ৰিক্সাৰ চকা

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৩১ ডিচেম্বৰঃ** এসময়ত ৰাজপথৰ দাঁতিত মুকলি আকাশৰ তলত এটি শিশু পুত্ৰৰ সৈতে জীৱন যাপন কৰা মৰমী দাস এতিয়া এগৰাকী স্বাৱলম্বী মহিলা। একালৰ গৃহহীন আৰু মানসিকভাৱে ভাৰাক্ৰান্ত মৰমী নলবাৰীৰ মাজদিয়াস্থিত বেচৰকাৰী সংস্থা 'আশ্ৰয়' পৰিচালিত 'হাফ ৱে' হ'ম'ৰ তত্বাৱধানত সুস্থ হৈ উঠিছিল। চলিত বৰ্ষৰে যোৱা ৮ আৰু ৯ ফেব্ৰুৱাৰীত ছেকেন্দ্ৰাবাদত ৰাষ্ট্ৰীয় বৌদ্ধিক দিব্যাংগ সবলীকৰণৰ সংস্থাই আয়োজন কৰা বিশেষ কাৰ্যসূচীৰ ২৯ সংখ্যক ৰাষ্ট্ৰীয় অধিৱেশনত মৰমী দাসৰ নেতৃত্বত 'আশ্ৰয়' পৰিচালিত নলবাৰীৰ 'হাফ ৱে' হ'ম'-এ শ্ৰেষ্ঠ বিপণীৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। মৰমীয়ে এতিয়া অৰুণোদয় আঁচনিৰ ধনো লাভ কৰিছে। তদুপৰি 'আশ্ৰয়'-এ নলবাৰীৰ মাজদিয়াস্থিত আশ্ৰয় গৃহৰ সন্মুখতে এখন দোকান খুলি দিছিল য'ত তেওঁ ফুলৰ পুলি আৰু চাহ বিক্ৰী কৰে। তেওঁক এটা বেংক একাউন্টো খুলি দিয়া হৈছিল য'ত সঞ্চিত হয় তেওঁ ফুলৰ পুলি আৰু চাহ বিক্ৰী কৰি পোৱা ধন। শেহতীয়াকৈ 'আশ্ৰয়'-এ আৰু কিছু ধন দি বেংকৰ সহায়ত এখন ই-ৰিক্সা ক্ৰয় কৰি দিছে মৰমীক। এতিয়াৰে পৰা নলবাৰীৰ ৰাজপথত ঘূৰিব মৰমীৰ ই-ৰিক্সাৰ চকা। যেন এয়া ই-ৰিক্সাৰ চকা মাত্ৰ নহয়, সময়ে সলনি কৰা এগৰাকী নাৰীৰ ভাগ্যৰ চকৰি। মৰমীৰ পুত্ৰ ৰাহুলো এতিয়া বিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ। উল্লেখ্য যে 'আশ্ৰয়' পৰিচালিত মাজদিয়াৰ 'হাফ ৱে' হ'ম'-এ গৃহহীন-বৌদ্ধিক দিব্যাংগ, চিকিৎসা বঞ্চিত মানসিক ৰোগী আৰু নিচাগ্ৰস্তসকলক নতুন জীৱন উপহাৰ দিয়াৰ লক্ষ্যৰে দীৰ্ঘদিন ধৰি কাম কৰি আহিছে। সংস্থাটোৰ এই কামে আনি দিয়া সাফল্যৰ এক উদাহৰণ মৰমী দাস। এসময়ত মৰমী দাসৰ ঠিকনা আছিল টিহুৰ ডাকঘৰৰ ওচৰতে থকা এজোপা গছৰ তল। কেৱল গ্ৰীষ্ম আৰু শীত— এই দুই ঋতুৰ বাহিৰে তেওঁ আন একোৰেই নাজানিছিল। লগত এটি প্ৰায় পাঁচ বছৰীয়া পুত্ৰ সন্তান। নাম ৰাহুল। তেওঁৰ মনত আছিল সন্তানটি তেওঁ জন্ম দিছিল নলবাৰীৰ শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত। কিন্তু মনত নাছিল কোনো দিন, বাৰ। নাছিল কোনো প্ৰামাণিক তথ্য-পাতি। মুকলি আকাশৰ তলত এগৰাকী দুৰ্ভগীয়া মাতৃ



আৰু এটি শিশু সন্তানৰ এই হৃদয়বিদাৰক কাহিনী হয়তো সকলোৰে অলক্ষিতে এদিন ক'ৰবাত হেৰাই গ'লহেঁতেন, যদিহে নলবাৰীৰ সমাজ কল্যাণ বিভাগৰ কৰ্মচাৰী খনিন্দ্ৰ হালৈয়ে মৰমী দাসৰ এই মৰ্মন্তুদ জীৱনৰ কথা 'আশ্ৰয়'ক নজনালেহেঁতেন। খনিন্দ্ৰ হালৈৰ পৰা জানিব পাৰি 'আশ্ৰয়'ৰ প্ৰতিষ্ঠাপক সভানেত্ৰী ৰিংকু বৰুৱা মহন্ত আৰু সদস্যদ্বয় অৰবিন্দ কলিতা, মমী দেৱীয়ে বিগত ২০২১ বৰ্ষৰ ১৮ জুনত মাতৃ মৰমী দাস আৰু পুত্ৰ ৰাহুলক ৰাজপথৰ দাঁতিৰ গছৰ তলৰ পৰা উদ্ধাৰ কৰি নলবাৰীৰ শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা কৰোৱাই মাজদিয়াস্থিত 'আশ্ৰয়' গৃহলৈ লৈ আহে। পিংকি তালুকদাৰে মৰমী দাস আৰু ৰাহুলৰ শুশ্ৰূষা আৰম্ভ কৰে। তেতিয়া তেওঁ আছিল খিংখিঙীয়া, উগ্ৰ আৰু শৰীৰ-স্বাস্থ্যৰ প্ৰতি উদাসীন। আনকি পুত্ৰ ৰাহুলক চোৰা-চিতা কৰাৰ জোখেৰেও মানসিকভাৱে আপাৰগ আছিল মৰমী দাস। কিছুদিন পাছত 'আশ্ৰয়' পৰিচালিত 'হাফ ৱে' হ'ম'ৰ সদস্যসকলৰ তত্বাৱধানত ৰাহুলক ওচৰৰে প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিয়া হয়। এনেদৰেই গছৰ তলৰ পৰা আহি আৰম্ভ হৈছিল ৰাহুলৰ বিদ্যায়তনিক যাত্ৰা। মানসিক ৰোগ বিশেষজ্ঞ ডাঃ নিপুল মহন্তৰ তত্বাৱধানত আৰু সামাজিক মনোবিদ মমী দেৱীৰ সহযোগত অব্যাহত ৰাখিলে মৰমী দাসৰ মানসিক চিকিৎসা। প্ৰচুৰ প্ৰত্যাহ্বানৰ পাছত এদিন আন্ধাৰ গুছি পোহৰৰ ৰেঙণি অহাৰ দৰে অৱশেষত মৰমী সুস্থ হৈ উঠিল। ২০২১ বৰ্ষলৈ টিহুত ডাকঘৰৰ কাষৰ গছৰ তলৰ মৰমী দাস আৰু 'আশ্ৰয়'ৰ আশ্ৰয়ত নতুন জীৱন ঘূৰাই পোৱা আজিৰ মৰমী দাসৰ মাজত কোনো সাদৃশ্য নাই। তেওঁ এতিয়া এগৰাকী মৰমীয়াল মাতৃ। নিজৰ ভৰিত নিজে থিয় দিবলৈ সক্ষম এগৰাকী সাদৰী মহিলা মৰমী দাস। এয়াই হৈছে কাল্পনিক কাহিনী যেন লগা বৃক্ষৰ তলৰ গৃহহীন অৱস্থাৰ পৰা এগৰাকী সুস্থ স্বাৱলম্বী মহিলাৰ মৰ্যাদা পোৱা মৰমী দাসৰ জীয়া কাহিনী। এয়া সম্ভৱ হৈ উঠিছে বেচৰকাৰী সংস্থা 'আশ্ৰয়'ৰ বাবে। উল্লেখ্য যে 'আশ্ৰয়'ৰ দ্বাৰা পৰিচালিত নলবাৰী জিলাৰ মাজদিয়াস্থিত 'হাফ ৱে' হ'ম'-এ পৰম নিষ্ঠাৰে অব্যাহত ৰাখিছে গৃহহীন, মানসিক ভাৰাক্ৰান্ত আৰু নিচাগ্ৰস্তসকলক পুনৰ সংস্থাপনেৰে সুস্থ জীৱনৰ পথ দেখুওৱাৰ মানৱীয় যাত্ৰা। 'হাফ ৱে' হ'ম' ঠিকনাবিহীন আৰু চিকিৎসাৰ পৰা বঞ্চিত মানসিক ৰোগীৰ এক আৱাস কেন্দ্ৰ। জিলা মানসিক ৰোগ বিভাগৰ তত্বাৱধানত 'হাফ ৱে' হ'ম'ত চিকিৎসা সেৱা আগবঢ়াই আহিছে মানসিক ৰোগ বিশেষজ্ঞ ডাঃ নিপুল মহন্ত আৰু সামাজিক মনোবিদ মমী দেৱীয়ে। ইতিমধ্যে ভালেসংখ্যক আৱাসীক তেওঁলোকৰ পৰিয়ালৰ সৈতে সংযোগ কৰাই দিয়া হৈছে। এই বিষয়ে 'আশ্ৰয়'ৰ প্ৰতিষ্ঠাপক সভানেত্ৰী ৰিংকু বৰুৱা মহন্তই এনেদৰে মনোভাৱ ব্যক্ত কৰে—"আমি মাজদিয়াত চলাই থকা হাফ ৱে' হ'মলৈ অহা গৃহহীন আৰু মানসিক ভাৰক্ৰান্তসকলে সুস্থ হৈ জীৱন আৰু জীৱিকাৰ পথ বিচাৰি পালে সেয়াই আমাৰ বাবে অনাবিল আনন্দ। মৰমী দাসৰ দৰে সকলোৱে সুস্থ আৰু স্বাৱলম্বী হৈ নাগৰিক হিচাপে দেশক শক্তিশালী কৰক।"

# মটক জনগোষ্ঠীৰ প্ৰাপ্য অধিকাৰৰ হকে আমি যুঁজ দি যাম



■ সুলভ জ্যোতি শইকীয়া
সাধাৰণ সম্পাদক
সদৌ অসম মটক ছাত্ৰ সন্থা

**অসমবাসীক** ইংৰাজী নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰিছো। নতুন বছৰত অসমৰ প্ৰতিগৰাকী লোকৰ সুখ-শান্তি কামনা কৰিছো। নতুন বছৰটোত আমি জাতিটোৰ জাতীয় স্বকীয়তা বৰ্তাই ৰাখিবলৈ কাম কৰিবলৈ মন মেলিছো। মই যিহেতু মটক জনগোষ্ঠীৰ সন্তান আৰু জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা সংগঠনটোৰ দায়িত্ব লৈ আছো সেয়েহে নতুন বছৰত অলেখ সমস্যাৰে জৰ্জৰিত আমাৰ জনগোষ্ঠীটোৰ হকে কাম কৰাৰে সংকল্প লৈছো। আজিও আমি অধিকাৰৰ বাবে যুঁজি যাবলগীয়া হৈছে। আমাৰ জনগোষ্ঠীটোৱে যি প্ৰাপ্য অধিকাৰ সেয়া আমি পোৱা নাই বুলি স্পষ্টকৈ ক'ব পাৰো। আমি জনজাতি হৈয়ো জনজাতিকৰণৰ মৰ্যাদা পোৱা নাই। নতুন বছৰটোত আমাৰ জনগোষ্ঠীটোক শিক্ষা-দীক্ষাৰে আগুৱাই নিবৰ বাবে আমি বিশেষ সংকল্প গ্ৰহণ কৰিছো।

# হালধীয়া দলিচাৰ বাগিচাৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে উদ্যমী কৃষক বিষ্ণুৱে



**ই-সংবাদ, জাগীৰোড, ৩১ ডিচেম্বৰঃ** হালধীয়া দলিচাৰ বাগিচাৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে এগৰাকী উদ্যমী কৃষক বিষ্ণু ডেকাই। কেৱল হালধীয়া দলিচাৰে আবৃত এখন বিশাল কৃষিভূমি। যেনিয়ে দৃষ্টি নিক্ষেপ কৰা যায় তেনিয়েই প্ৰকৃতিৰ এক অপৰূপ দৃষ্টিনন্দন দৃশ্যই স্বাভাৱিকতে সকলোকে ক্ষণিকৰ বাবে হ'লেও আকৰ্ষিত কৰি তোলে। হয়, বানেগৰকা জাগীৰোডৰ পাৰ্শ্বৱৰ্তী মৰিকলঙৰ পাৰত গঢ় লৈ উঠিছে এই মনোমোহা দৃশ্য। মৰিকলঙৰ পাৰৰ এডৰা সৰিয়হৰ কৃষিভূমিত প্ৰগতিশীল কৃষক বিষ্ণু ডেকাই সংশ্লিষ্ট বিভাগ তথা চৰকাৰৰ কোনো ধৰণৰ সা-সুবিধা নোলোৱাকৈ নিজৰ গাঁঠিৰ ধন ভাঙি একক প্ৰচেষ্টাৰে গঢ়ি তুলিছে এক কৃষি বিপ্লৱ। উদ্যমী খেতিয়ক ডেকাই প্ৰায় ৩০ বিঘা কৃষিভূমিত সৰিয়হকে ধৰি উন্নত প্ৰজাতিৰ আলু, বেঙেনা, মূলা, জলকীয়াকে ধৰি বহু তৰপীয়া ৰবি শস্যৰ খেতি কৰি আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ লগতে কাষৰীয়া বহুকেইটা পৰিয়ালক কৰ্ম সংস্থাপন দিবলৈ সক্ষম হৈছে। তদুপৰি চৰকাৰীভাৱে সহায়-সুবিধা লাভ কৰিলে অদূৰ ভৱিষ্যতে আৰু অধিক কৃষিভূমি সম্প্ৰসাৰণ কৰাৰ হেঁপাহ কৃষকগৰাকীৰ। এই ক্ষেত্ৰত সংবাদ মাধ্যমৰ আগত কৃষকগৰাকীয়ে ক্ষোভ আৰু প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে এগৰাকী কৃষকক উন্নত বীজ, সাৰ, জলসিঞ্চনৰ ব্যৱস্থা, শস্য বীমা আৰু উৎপাদিত শস্যৰ সংৰক্ষণৰ উচিত ব্যৱস্থাসমূহ সংশ্লিষ্ট বিভাগে প্ৰদান নকৰাৰ বাবে লক্ষণীয়ভাৱে কৃষিকৰ্মৰ বাবে আজিৰ কৃষকে অনিহা প্ৰকাশ কৰিছে। কিয়নো, বিগত বৰ্ষসমূহত তেওঁৰ কৃষিভূমিত উৎপাদন কৰা শস্যসমূহ চৰকাৰীভাৱে উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা নথকাৰ বাবে বহু কুইণ্টল শস্য বিনষ্ট হোৱা বুলি অসন্তুষ্টি প্ৰকাশ কৰে। সেয়ে অনাগত সময়ত বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰক মৰিগাঁৱত এটা শস্য সংৰক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈও মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাক আহ্বান জনাইছে কৃষক বিষ্ণু ডেকাই। আনহাতে, সম্প্ৰতি অসমৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীসকলে কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ ঢাপলি মেলা কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰি তেঁও কয় যে ৰাজ্যখনত সম্ভৱনাময় কৃষিভূমি এৰি অন্য ৰাজ্যলৈ নগৈ ভালদৰে কৃষি কাৰ্যত মনোনিৱেশ কৰিও স্বাৱলম্বী হ'ব পাৰি।

# বিশিষ্ট চিত্ৰশিল্পী দিলীপ তামুলীলৈ 'প্ৰণৱ বৰুৱা শিল্পী বঁটা'

**ই-সংবাদ, ৩১ ডিচেম্বৰঃ** বছৰৰ শেষৰ দিনটোত ৰাজ্যৰ এগৰাকী বিশিষ্ট চিত্ৰশিল্পীক প্ৰদান কৰা হৈছে বিশেষ সন্মান। বিশিষ্ট চিত্ৰশিল্পী দিলীপ তামুলীক সুদীৰ্ঘ জোৰা সাধনাক স্বীকৃতি দি ২০২৪ বৰ্ষৰ 'প্ৰণৱ বৰুৱা শিল্পী বঁটা' প্ৰদানৰ ঘোষণা কৰা হৈছে। চিত্ৰকলাক জনপ্ৰিয় কৰিবলৈ ওৰে জীৱন আহোপুৰুষাৰ্থ কৰা চিত্ৰশিল্পী দিলীপ তামুলীৰ কামক স্বীকৃতি প্ৰদান কৰা হৈছে। ১৯৫৮ চনত নদীদ্বীপ তথা শংকৰী সংস্কৃতিৰ পীঠস্থান মাজুলীত জন্মগ্ৰহণ কৰা দিলীপ তামুলীয়ে মাজুলীতে শৈশৱ অতিবাহিত কৰিছিল। শান্তি নিকেতনৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ পৰা (কলা ভৱন) গ্ৰাফিক্স কলাৰ স্নাতকোত্তৰ ডিপ্লমাধাৰী দিলীপ তামুলীয়ে। ললিত কলা গৱেষণা বৃত্তি লাভ কৰি নতুন দিল্লীত অধ্যয়ন কৰাৰ লগতে ৰয়েল ডেনিছ সাংস্কৃতিক বৃত্তি লাভ কৰি কপেনহেগেনৰ ৰয়েল ডেনিছ একাডেমি অৱ আৰ্টত দুবছৰীয়া স্নাতকোত্তৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। গুৱাহাটীৰ চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা তামুলীয়ে চিত্ৰকলাৰ ক্ষেত্ৰখন সমৃদ্ধ কৰিছে। অসম ফাইন আৰ্টছ এণ্ড ক্ৰাফট ছোচাইটিৰ কাৰ্যকৰী সভাপতি হিচাপে কাৰ্যনিবাহ কৰা তামুলীয়ে সুকুমাৰ কলাৰ হকে আজীৱন কাম কৰিছে। তামুলীৰ চিত্ৰ বহু ঠাইত প্ৰদৰ্শন হৈছে। অসম সন্তান তামুলীয়ে দেশ-বিদেশত সন্মানলাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। এইগৰাকী বিশিষ্ট অসমীয়াক এইবেলি প্ৰয়াত চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ স্মৃতিত প্ৰদান কৰি অহা 'প্ৰণৱ বৰুৱা শিল্পী বঁটা' প্ৰদান কৰা হ'ব। চিত্ৰকলা আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত জীৱনজোৰা সাধনাৰ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ একোজন শিল্পীক এই বঁটা প্ৰদান কৰা হয়। ২০০২ চনৰ পৰা প্ৰৱৰ্তন কৰা এই বঁটা বিশিষ্ট শিল্পী শোভা ব্ৰহ্ম, বেণু মিশ্ৰ, নীলপৱন বৰুৱা, আদ্য শৰ্মা, বীৰেণ সিংহ, ননী বৰপূজাৰী, পুলক গগৈ, জীতেন হাজৰিকা, জনক ঝংকাৰ নাৰ্জাৰী, কুশকান্ত দেৱগোস্বামী, ৰবিৰাম ব্ৰহ্ম, ত্ৰৈলোক্য দত্ত, চালেহা আহমেদ, কন্দৰ্প নাথ শৰ্মা, কিৰণ শংকৰ, চম্পক বৰবৰা, মণিপুৰৰ টি টম্বি সিং, কুলচন্দ্ৰ এম থেম, ত্ৰিপুৰাৰ শিল্পী চিন্ময় বয়, মিজোৰামৰ চিত্ৰশিল্পী ৰখুমা, অৰুণাচল প্ৰদেশৰ চিত্ৰ ভাস্কৰ্য শিল্পী টাকাৰ ৰিবা আৰু নাগালেণ্ডৰ চিত্ৰশিল্পী বুদ্ধি থাপাক প্ৰদান কৰা হৈছে।



# অৱসৰী শিক্ষকৰ ব্যতিক্ৰমী পদক্ষেপ, পত্নীৰ স্মৃতিত ঘৰতে ক্ষুদ্ৰ সংগ্ৰহালয় স্থাপন

**ই-সংবাদ, কামপুৰ, ৩১ ডিচেম্বৰঃ** অনন্য এই পৃথিৱী! পৃথিৱী বুকুত জন্ম লোৱাৰ পিছত প্ৰতিজন ব্যক্তিয়েই কিছু আশা বুকুত পুহি ৰাখে। নিজৰ প্ৰতিভাৰে বহুলোকে সমাজত নিজকে চিনাকি দিবলৈ সক্ষম হয়। কৰ্মই ধৰ্ম। কৰ্মৰ মাজদিয়েই নিজকে সমাজৰ আগত চিনাকি দিবলৈ সক্ষম হৈছে নগাঁও জিলাৰ কঠীয়াতলী কছাৰী গাঁৱৰ এজন অৱসৰপ্ৰাপ্ত শিক্ষকে। আনফালে, পত্নীৰ মৃত্যুৰ পিছত আপোন মানুহজনীক চিৰজীৱন জীয়াই ৰখাৰ বাবে ভূপেন চন্দ্ৰ বৰদলৈ নামৰ লোকজনে লৈছে বিশেষ পদক্ষেপ। নিজৰ ভাস্কৰ্য শিল্পৰ জৰিয়তে কাঠ আৰু বাঁহৰে বিভিন্নজন মহান ব্যক্তিৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ লগতে অসমৰ ঐতিহ্যপূৰ্ণ সা-সামগ্ৰী নিৰ্মাণ আৰু সংগ্ৰহ কৰি এটি ক্ষুদ্ৰ সংগ্ৰাহালয় আৰু এটি ক্ষুদ্ৰ পুথিভঁড়ালো নিৰ্মাণ কৰিছে তেওঁ। বৰ্তমান ৬৬ বছৰত ভৰি দিয়া ভূপেন চন্দ্ৰ বৰদলৈয়ে ২০১৮ চনত শিক্ষকতা বৃত্তিৰ পৰা অৱসৰ লয়। বৰদলৈৰ অতি মৰমৰ পত্নীগৰাকীয়ে অৱসৰৰ এটা বছৰৰ পিছত ইহ সংসাৰ ত্যাগ কৰে। পত্নীৰ বিয়োগত ভাগি পৰিছিল ভূপেন চন্দ্ৰ বৰদলৈ। নিজৰ একমাত্ৰ পুত্ৰক লগত লৈ পত্নীৰ স্মৃতিক জীয়াই ৰখাৰ পণ লৈছিল। সেয়ে বৰদলৈয়ে নিজৰ ঘৰৰ এটা কোঠালীতে আৰম্ভ কৰিলে পত্নী ভাগ্য বৰদলৈ সোঁৱৰণত এটি সংগ্ৰাহালয় আৰু সৰুকৈ এটা পুথিভঁড়ালো। বৰদলৈয়ে ব্যক্তিগত প্ৰচেষ্টাৰে নিজবাসগৃহত স্থাপন কৰা সংগ্ৰাহালয়ত কাঠ আৰু বাঁহেৰে বিভিন্ন ধৰণৰ সামগ্ৰী সাজি ৰাইজৰ ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ভূপেন চন্দ্ৰ বৰদলৈ নামৰ অৱসৰপ্ৰাপ্ত শিক্ষকজনে বাঁহ আৰু কাঠেৰে বিভিন্ন ধৰণৰ মূৰ্তিৰ লগতে অসমৰ পৌৰাণিক কালৰ বিভিন্ন আচবাবৰ লগতে বিভিন্ন বাদ্যযন্ত্ৰ সাজি উলিওৱাৰ লগতে কিছু সংগ্ৰহ কৰি নিজ বাসগৃহৰ সংগ্ৰাহালয়ত ৰাখি ৰাইজৰ বাবে প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে। পৌৰাণিক সময়ৰ গ্ৰামোফোন, কেমেৰা, টোকোৰা চৰাইৰ বাহ, টেপ ৰেকৰ্ড টাইপ মেচিন, গৰুগাড়ীৰ লগতে অসমীয়াৰ কৃষি সঁজুলি, জনজাতীয় পৌৰাণিক অস্ত্ৰ, জনজাতীয় সমাজত খাদ্য সম্ভাৰত ব্যৱহাৰ কৰা বিভিন্ন সামগ্ৰী, আশী-নব্বৈ দশকত অসমৰ সাংস্কৃতিক জগতত খলকনি লগোৱা 'জানমণি', 'মাকন' আদিৰ লগতে বিভিন্ন সুমধুৰ গীতৰ কেচেটৰ লগতে বিভিন্ন ধৰণৰ সামগ্ৰী সংৰক্ষণ কৰি অঞ্চলবাসী ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। নগাঁও জিলাৰ কন্দলী হাবি গাঁৱত জন্ম গ্ৰহণ কৰা ভূপেন বৰদলৈয়ে 'য়াৰেং' নামৰ এখনি গ্ৰন্থও লিখি সমাদৰ লাভ কৰিছে বৰদলৈয়ে।

# খেজুৰৰ ৰস বেচি কলগাছিয়াৰ কৃষকে দেখিছে ন-সপোন



**ই-সংবাদ বিশেষ, কলগাছিয়া, ৩১ ডিচেম্বৰঃ** বৰপেটা জিলাৰ মন্দিয়া বিধানসভা সমষ্টিৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ডিমাপুৰ গাঁৱৰ আমজাদ আলী নামৰ এজন লোকে বিগত ৪১ বছৰ ধৰি ৪০/৫০ ডাল খেজুৰ গছ কাটি মিঠাই বনাই কেজি প্ৰতি ৫০০ টকাকৈ বিক্ৰী কৰি স্বাৱলম্বিতাৰ মুখ দেখিবলৈ সক্ষম হৈছে। দিনটোত বিপদসংকুল অৱস্থাত এডালৰ পিছত আন এডাল খেজুৰ গছত উঠি কঠোৰ পৰিশ্ৰমেৰে উৎপাদন কৰা ৰস আকৌ জুইশালাত জাল কৰি মিঠাই বনাই ঢালিগাঁও, বৰপেটা, তিনিচুকীয়া, লক্ষিমপুৰ, বঙাইগাঁও আদি জিলালৈ বিক্ৰী কৰি আহিছে। আমজাদ আলীয়ে জানিবলৈ দিয়া মতে খেজুৰৰ মিঠাই বিক্ৰী কৰি প্ৰতি বছৰে দুই/তিনি লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে তেওঁ। ইপিনে উপাৰ্জিত টকাৰে পৰিয়াল লালন-পালন কৰাৰ উপৰি সন্তানৰ পঢ়াৰ খৰচ উলিওৱাৰ লগতে তিনিজনকৈ জীয়েকৰ বিয়া সম্পন্ন কৰিবলৈ সক্ষম হৈছে। আমজাদ আলীয়ে কৃষিকৰ্মৰ লগতো জড়িত হৈ আছে বুলি জানিব পৰা গৈছে। ইপিনে, তিনিটাকৈ গাই গৰু পুহি গাখীৰ বিক্ৰী কৰিও আমজাদ আলীয়ে একপ্ৰকাৰ সফল কৃষক হিচাপে গাঁওখনত চৰ্চা লাভ কৰিছে।

## কাঠ-বাঁহেৰে ৩৮ বছৰ ধৰি সাজি আহিছে আকৰ্ষণীয় শিল্প সামগ্ৰী

# নিমনাগড়ৰ ভাস্কৰ্য শিল্পী আব্দুল জাব্বাৰ(জুমা)ৰ শিল্প সাধনা


**ই-সংবাদ, মথুৰাপুৰ, ৩১ ডিচেম্বৰঃ** এজন আজন্ম শিল্পী! নাম তেওঁৰ আব্দুল জাব্বাৰ, কিন্তু সকলোৰে মাজত জুমা নামেৰেহে পৰিচিত। সৃষ্টিৰ তাড়নাত নিজৰ কৰ্মব্যস্ত জীৱনৰ আজৰি পৰত নীৰৱে কৰি গৈছে শিল্প সাধনা। জীৱনৰ আজৰি পৰতো কিন্তু থমকি ৰোৱা নাই এইগৰাকী শিল্পীৰ কৰ্মৰ স্পৃহা। চৰাইদেউ জিলাৰ মথুৰাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত নিমনাগড় নিৱাসী আব্দুল জাব্বাৰ সৰুৰে পৰা কাঠ, বাঁহ আদিৰে কিবা এটা তৈয়াৰ কৰি লোৱাৰ মনত এক দুৰ্বাৰ হেঁপাহ। জীৱন-জীৱিকাৰ অন্বেষণত এটা সময়ত কাঠৰ কুণ্ডাৰ ব্যৱসায় কৰা ব্যক্তিজনে আজি পৰিয়ালটোৰ পেটৰ ভাতমুঠিৰ বাবে নিমনাগড় চাৰিআলিতে ক্ষুদ্ৰ এক ব্যৱসায়িক প্ৰতিষ্ঠান আৰম্ভ কৰি পৰিয়ালটোক পোহপাল দি আহিছে। বাল্যকালৰে পৰা হস্তশিল্পৰ প্ৰতি থকা ইচ্ছাক যোৱা ৩৮ টা বছৰে কাৰ্যত প্ৰয়োগ কৰি আজি নিজকে এজন সফল শিল্পী হিচাপে পৰিচয় ডাঙি ধৰিবলৈ সক্ষম হৈছে। অভাৱ অনাটনৰ মাজতো জীৱন কৰ্ষণত ভাগৰি নপৰা মানুহজনে কমাৰশাললৈ গৈ শিল্পকাৰ্যত ব্যৱহাৰ্য মাত্ৰ কেইটামান সঁজুলি তৈয়াৰ কৰাই আনি কাঠেৰে বিভিন্ন আকৰ্ষণীয় কাঠৰ সামগ্ৰী তৈয়াৰ কৰাত ব্যস্ত হৈ পৰে। মনৰ একাগ্ৰতা আৰু নিৰবিচ্ছিন্ন পৰিশ্ৰমৰ ফলত তেওঁৰ হাতৰ পৰশত জীৱন্ত হৈ পৰে ৰবৰগছ, পদুম ফুল, গঁড়, হাতী, হৰিণা, হাঁহ, চৰাই, লাইটৰ ষ্টেণ্ড, বিভিন্ন জীৱ-জন্তু, শৰাই আদি। অগপ চৰকাৰৰ কাৰ্যকালত চৰাইদেউ মৈদামত অনুষ্ঠিত ৭৭০ বছৰীয়া চ্যুকাফা দিৱসৰ প্ৰদৰ্শনী থলীত স্থানীয় কেইজনমান যুৱকৰ হেঁচা আৰু সহায়ত প্ৰথমবাৰলৈ যোগদান কৰি সমস্ত দৰ্শনাৰ্থীৰ লগতে থাইলেণ্ডৰ ৰাষ্ট্ৰদূত, বিভিন্ন মন্ত্ৰী, বিধায়ক আৰু বিশিষ্ট ব্যক্তিৰ পৰা ভূয়সী



প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। এই প্ৰেৰণাকে বুকুত বান্ধি তেতিয়াৰে পৰা শিল্পীজনে দুগুণ উৎসাহেৰে কামত আগুৱাই যাবলৈ ধৰে। অগপ চৰকাৰৰ দিনৰ পশুপালন মন্ত্ৰী হিৰণ্য কোঁৱৰে কিছু আৰ্থিক সাহায্য দিয়াৰ বাহিৰে তেওঁ কোনো চৰকাৰী ঋণো পোৱা নাই। আনকি বৃদ্ধ পেঞ্চনো আজি পৰিমিত লাভ কৰা নাই। নিৰ্মাণ কৰি উলিওৱা বহুতো হস্তশিল্প অৰ্থৰ অভাৱত বাৰ্ণিছ, ৰং আদি কৰিব পৰা নাই। আৰ্থিক সুবিধা পালে প্ৰয়োজনীয় সঁজুলিসমূহ ক্ৰয় কৰি উৎপাদিত সামগ্ৰীসমূহ কিছু সুলভ মূল্যত বিক্ৰী কৰাৰ লগতে কেইজনমান নিবনুৱাক নিযুক্তি দি ব্যৱসায়টোক ক্ষুদ্ৰ উদ্যোগমুখী কৰাৰ প্ৰবল হেঁপাহ তেওঁ মনত পুহি ৰাখিছে। আব্দুল জাব্বাৰে ২০০১ বৰ্ষত ৰাজ্যিক হস্তশিল্পী বঁটা লাভ কৰে আৰু এই বঁটা তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ হাতেৰে গ্ৰহণ কৰাৰ উপৰি বিভিন্ন অনুষ্ঠান, দল-সংগঠনে সম্বৰ্ধনা জনাই বঁটা প্ৰদান কৰি আহিছে। তেওঁৰ এই শিল্পী সত্তা যাতে সদায় অটুট থাকে আৰু দুগুণ উৎসাহেৰে যেন তেওঁ আগুৱাই যাব পাৰে তাকে সকলোৰে কামনা কৰে।

# নতুন বছৰটোত পথ-দলঙক লৈ আশাবাদী মাজুলীৰ ৰাইজ

**ই-সংবাদ, মাজুলী, ৩১ ডিচেম্বৰঃ** নতুন বৰ্ষটোত মাজুলীবাসীয়ে লাভ কৰিব উত্তৰ পাৰৰ লগত যোগাযোগৰ পোনপটীয়া মাধ্যম চেলেক-ধুনাগুৰি দলং। মাজুলীৰ লগত সংযোগ কৰি নিৰ্মাণ হৈ থকা উত্তৰ পাৰৰ দলঙে মাজুলীলৈ নৱবৰ্ষত কঢ়িয়াই আনিছে আশাৰ বতৰা। উত্তৰ পাৰে উত্তৰ লক্ষীমপুৰ সংযোগী চেলেক-ধুনাগুৰি দলঙৰ নিৰ্মাণকাৰ্যৰ আৰম্ভণিয়ে মাজুলীৰ দীৰ্ঘদিনীয়া যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ জটিলতা অন্ত পেলাই নতুন দিগন্তৰ সূচনা কৰিব। এই ক্ষেত্ৰত এক লক্ষণীয় বিষয়টো হৈছে এই দলঙৰ নিৰ্মাণৰ আৰম্ভণিৰ লগে-লগে নিৰ্মাণ স্থলীত গঢ়লৈ উঠা ক্ষুদ্ৰ বাণিজ্যিক প্ৰতিষ্ঠানে অঞ্চলৰ একাংশ লোকক দিছে উপাৰ্জনৰ সুন্দৰ বাট। এই ক্ষেত্ৰত উন্নতিৰ দিশলৈ স্থানীয় অৰ্থনীতি আগবাঢ়িছে বুলি কব পাৰি। মাজুলীক উত্তৰ পাৰৰে সংযোগ কৰিবলগীয়া লোহিত আৰু সোৱণশিৰিৰ ওপৰৰ চেলেক ধুনাগুৰি দলং দুখনে দ্ৰুত অগ্ৰগতি লাভ কৰিছে। নদীৰ মাজত নিৰ্মাণ চলি থকা দলং দুখনৰ ভিতৰত খেৰকটা (লোহিত) নদীৰ ওপৰত নিৰ্মাণ হৈ থকা দলং খনৰ ২১ খুঁটাৰ পায়াৰৰ সম্পূৰ্ণ হৈ উঠি ২১ টাৰে ওপৰত চেগমেন পৰ্যন্ত লগাই সম্পূৰ্ণ হৈ উঠিছে। মুঠতে ৭০২ মিটাৰ দৈৰ্ঘ্যৰ লোহিতৰ ওপৰত নিৰ্মাণ কৰি থকা দলংখন নৱবৰ্ষৰ জুন মাহত দলং সংযোগী পথৰ সৈতে সম্পূৰ্ণ হৈ উঠিব বুলি দলংখনৰ নিৰ্মাণকাৰী সংস্থা 'এছ পি চিংলা'ৰ প্ৰকল্প পৰিচালক প্ৰশান্ত সিঙে এই সংবাদদাতাক জানিবলৈ দিয়ে। ইফালে, সোৱণশিৰিৰ ওপৰত নিৰ্মাণ হৈ থকা আনখন দলঙৰ কামো পূৰ্ণ গতিৰে অব্যাহত আছে। লক্ষীমপুৰৰ দিশৰ পৰা আৰম্ভ হোৱা দলংখনৰ কাম আউনীবাৰীৰ পৰা আৰম্ভ হৈছে। ২.৮৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মুঠ ৬১ টা খুঁটা বিশিষ্ট দলংখনৰ বৰ্তমানলৈকে ৩৯ টা খুঁটাৰ কাম সম্পূৰ্ণ হৈছে। উক্ত দলং খনৰ লক্ষীমপুৰৰ দিশৰপৰা সংযোগী পথৰ দৈৰ্ঘ হ'ব মুঠ ৮.১৬ কিলোমিটাৰ। অৱশ্যে দলং দুখনৰ মাজত ৩.০৪২ কিলোমিটাৰৰ পথ থাকিব য'ত পথৰ সৰু দলং, কালভাৰ্ট আদি নিৰ্মাণো সমান্তৰালভাৱে অব্যাহত আছে। সোৱণশিৰিৰ ওপৰত নিৰ্মাণ হৈ থকা দলংখনৰ আউনীবাৰীৰ পৰা ধুনাগুৰিলৈ ৬১ টা খুঁটা থাকিব। এছপি চিংলা নিৰ্মাণকাৰী সংস্থাই দিনে নিশাই দুয়োখন দলঙৰ বিভিন্ন পৰ্যায়ৰ কাম ক্ষীপ্ৰতৰ কৰি নতুন বৰ্ষৰ শেষৰ ফালে দলং দুখনৰ কাম সম্পূৰ্ণ কৰি তোলাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে বুলি নিৰ্মাণকাৰী সংস্থাটোৱে জানিবলৈ দিয়ে। উল্লেখ্য যে দলং সংযোগী পথৰ সৈতে মুঠ ১৯.৪৫৭ কিলোমিটাৰ দূৰত্বৰ দলংখনৰ মুঠ প্ৰকল্প ব্যয় হৈছে ৭৮৫.৩৫ কোটি। অৱশ্যে ইয়াৰে ৬৯৪.৭৭ কোটি টকাহে ই পি চি ম'ডত ঠিকাদাৰী প্ৰতিষ্ঠানক ঠিকা আৱণ্টন দিয়া হৈছে। ২০২৫ বৰ্ষত মাজুলীবাসীয়ে যাতায়াতৰ ক্ষেত্ৰত উত্তৰ পাৰৰ লগত পোনপটীয়া যোগাযোগ সম্ভৱ হৈ উঠিব। নতুন বৰ্ষটোৱে মাজুলীবাসীৰ বাবে এইটো এটা ভাল খবৰ লৈ আহিব।কেৱল যাতায়াত-যোগাযোগেই নহয় মাজুলীৰ শিক্ষা, স্বাস্থ্য, পৰ্যটন, বাণিজ্য আদি বিভিন্ন ক্ষেত্ৰতো নতুন দিগন্তৰ সূচনা হ'ব বুলি আশাবাদী মাজুলী।



# ২২ বছৰ ধৰি জাতিলাওৰ খেতিৰে স্বাৱলম্বী নাজিৰাৰ কৃষ্ণ চাংমা

**ই-সংবাদ, নাজিৰা, ৩১ ডিচেম্বৰঃ** অসমৰ বেছিভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। খেতি কৰিয়ে পৰিয়াল পোহপাল দি জীৱন নিৰ্বাহ কৰি আহিছে। কিছুমান কৃষকক কেৱল ধান খেতিৰ ওপৰত আৰু কিছুমান কৃষক শাক- পাচলি খেতিৰ ওপৰত নিৰ্ভৰ কৰিয়ে আৰ্থিকভাৱে স্বাৱলম্বী হোৱা দেখা যায়। অসমত এনে বহু আদৰ্শ খেতিয়ক আছে যিসকলে নিৰবিচ্ছিন্নভাৱে অহোপুৰুষাৰ্থ কৰি কৃষি ক্ষেত্ৰখনত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰৰ পৰা আদৰ্শ খেতিয়কৰ সন্মান লাভ কৰিবলৈও সক্ষম হৈছে। আদৰ্শ খেতিয়কসকলে বৃহৎ বৃহৎ এলেকাৰ মাটিত খেতি কৰা দেখা যায়। ধানৰ পৰা শাক-পাচলি ইত্যাদিকে ধৰি সকলোৰে উৎপাদন অত্যধিক হোৱা দেখা। ইয়াৰ মাজতে এনে কিছু খেতিয়ক আছে যিসকলে দুই তিনি দশক ধৰি নিজৰ ঘৰুৱা কম মাটিতে খেতি কৰি আহিছে। কম ঠাইতে অধিক উৎপাদন কৰি আৰ্থিক ভাৱে লাভাৱান্বিত হৈ সুখেৰে পৰিয়াল পোহপাল দি যোৱাও দেখিবলৈ পোৱা যায়। শিৱসাগৰ জিলাৰ নাজিৰাৰ শেনৰ আলি গাঁৱৰ কৃষ্ণ চাংমায়ো ২২ বছৰ ধৰি অবিৰতভাৱে খেতি কৰিয়ে আৰ্থিকভাৱে স্বাৱলম্বী হৈ পৰিছে। খেতি কৰা মাটিৰ পৰিমাণ অধিক নহয় যদিও কম মাটিতে অধিক উৎপাদন হোৱাকৈ দুটা দশক ধৰি তেওঁ জাতিলাও আৰু কুন্দুলীৰ খেতি কৰি আহিছে। কেৱল চাৰি কঠা মাটিত কৰা জাতিলাও আৰু কুন্দুলীৰ খেতি বিগত ২২ বছৰ ধৰি কৰি আহিছে আৰু ইয়াৰ পৰা যথেষ্ট উপাৰ্জন লাভ কৰিছে। প্ৰতি সপ্তাহতে ১৩০ ৰ পৰা ১৫০ টাকৈ জাতিলাও বজাৰত বিক্ৰী কৰে কৃষ্ণ চাংমায়ে। তদুপৰি প্ৰতি সপ্তাহত ৫০ ৰ পৰা ৬০ কেজিকৈ কুন্দুলীও উলিয়াই দিয়ে বজাৰলৈ। জাতিলাও আৰু কুন্দুলীৰ খেতি কৰিয়ে তেওঁ নিজৰ পুত্ৰক হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক পৰীক্ষা আৰু স্নাতক ডিগ্ৰী সুখ্যাতিৰে উত্তীৰ্ণ হ'ব পৰাকৈ শিক্ষা গ্ৰহণ কৰাত সহায় কৰি আহিছে। কম পৰিমাণৰ ঠাইতো যে খেতি কৰি স্বাৱলম্বী হ'ব পাৰি এই নিদৰ্শন দাঙি ধৰিছে শেনৰ আলি গাঁৱৰ কৃষ্ণ চাংমায়ে। আদৰ্শ খেতিয়কৰ উপৰি কৃষ্ণ চাংমাইৰ দৰে এনে কিছুমান খেতিয়ক আছে যিসকলে দশক দশক ধৰি কম পৰিমাণৰ মাটিত খেতি কৰিয়ে জীৱন নিৰ্বাহ কৰি আহিছে। আৰ্থিকভাৱে স্বাৱলম্বী হৈ পৰিছে। তেওঁলোকৰো একো একোটা কাহিনী আছে যি কাহিনীৰ অন্তৰালত আছে জীৱনৰ অশেষ কষ্ট আৰু ধৈৰ্য। এইসকল ব্যক্তিয়ে আদৰ্শ খেতিয়কৰ বিশেষ সন্মান লাভ নকৰিলেও প্ৰকৃতাৰ্থত দশক দশক ধৰি খেতি কৰি পৰিয়াল পোহপাল দি নিজৰ সন্তানক উচ্চ শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তোলা প্ৰতিজন কৃষকেই একো একোজন আদৰ্শ খেতিয়ক।

# প্ৰধানমন্ত্ৰীৰ ভাৰত বিকাশ যাত্ৰা কাৰ্যসূচীলৈ বাইহাটা চাৰিআলিৰ ধৃতিৰাজ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৩১ ডিচেম্বৰঃ** ভাৰত চৰকাৰৰ ভাৰত বিকাশ যাত্ৰা কাৰ্যসূচীৰ অধীনত অহা ১১ আৰু ১২ জানুৱাৰীত নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে অসমৰ পৰা নিৰ্বাচিত হৈছে কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ নিকটৱৰ্তী দুমুনিচকীৰ ওচৰৰ শৰাইঘাট গাঁৱৰ ধৃতিৰাজ চমুৱা। ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা এক প্ৰতিযোগিতাৰ জৰিয়তে নিৰ্বাচিত হোৱা ধৃতিৰাজ চমুৱা কটন বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰীৰ ছাত্ৰ। ধৃতিৰাজ চমুৱাই নাৰী সৱলীকৰণ আৰু সামাজিক বিকাশৰ বিষয়ে ১১ আৰু ১২ জানুৱাৰীত ভাৰত বিকাশ যাত্ৰা কাৰ্যসূচীত প্ৰধানমন্ত্ৰীৰ সন্মুখত দাঙি ধৰিব লাগিব। লক্ষণীয় যে স্বামী বিবেকানন্দৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ভাৰত চৰকাৰে এই ভাৰত বিকাশ যাত্ৰা কাৰ্যসূচীৰ আয়োজন কৰিছে। দেশৰ সকলো ৰাজ্যৰ পৰা যোৱা নিৰ্বাচিত যুৱ লিডাৰসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। স্বাধীনতাৰ শতবৰ্ষৰ লগত সংগতি ৰাখি ২০৪৭ চনৰ বিকশিত ভাৰতৰ স্বপ্ন হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোনপটীয়াভাৱে দেশৰ নিৰ্বাচিত যুৱ লিডাৰসকলৰ পৰা গ্ৰামীণ ভাৰতৰ প্ৰকৃত সমস্যাৰ বুজ লোৱাৰ চেষ্টা কৰিব।অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকৰ তত্ত্বাৱধানত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ ধৃতিৰাজ চমুৱাই অহা ৯ জানুৱাৰীত নতুন দিল্লীত উপস্থিত হ'ব। উল্লেখ্য যে ধৃতিৰাজ চমুৱা দৈনিক অসমৰ বাইহাটা চাৰিআলিৰ সাংবাদিক পুলক চমুৱা আৰু চিত্ৰলেখা নাথ চমুৱাৰ একমাত্ৰ পুত্ৰ। ভাৰত বিকাশ যাত্ৰা কাৰ্যসূচীৰ বাবে অসমৰ পৰা নিৰ্বাচিত হোৱা ধৃতিৰাজ চমুৱাক মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই শুভেচ্ছা জনাইছে। অসমক প্ৰতিনিধিত্ব কৰি প্ৰধানমন্ত্ৰীৰ সন্মুখত নাৰী সৱলীকৰণ আৰু সামাজিক বিকাশৰ বিষয়ে উপস্থাপন কৰিবলৈ সকলোখিনি প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে ধৃতিৰাজ চমুৱাই।

# বিশ্বৰ আগশাৰীৰ বিজ্ঞানীৰ তালিকাত সন্নিবিষ্ট হ'ল ড০ সাগৰ ভট্টৰায়ৰ নাম

**ই-সংবাদ, দুমুনিচকী, ৩১ ডিচেম্বৰঃ** বিশ্বৰ আগশাৰীৰ বিজ্ঞানীৰ তালিকাত এইবাৰ সন্নিবিষ্ট হ'ল দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গ্ৰেৰেণ্ট নিৱাসী ড০ সাগৰ ভট্টৰায়ৰ নাম। বৰ্তমান ভাৰতীয় প্ৰতিষ্ঠানৰ প্ৰযুক্তি উদ্ভাৱন হাবত কৰ্মৰত ড০ সাগৰ ভট্টৰায়ে ২০১২ চনত খলিহৈ আঞ্চলিক আদৰ্শ বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অতি সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছিল। নেচনেল ইনষ্টিটিউট অৱ টেকন'লজীৰ পৰা পদাৰ্থ বিজ্ঞানত পি এইচ ডি ডিগ্ৰী লাভ কৰা ভট্টৰায়ে তেওঁৰ গৱেষণাত পেৰ'ভস্কাইট সৌৰকোষ কোৱাণ্টাম ডট ছ'লাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ড০ ভট্টৰায় বিভিন্ন ৰাষ্ট্ৰীয় আৰু নবীকৰণযোগ্য শক্তিৰ আন্তঃৰাষ্ট্ৰীয় পৰীক্ষাগাৰৰ বাহিৰেও দুটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত কাম কৰি আছে। এতিয়ালৈকে তেওঁৰ ৯০ টাতকৈও অধিক পাব্লিকেশ্যন আছে। লগতে গোৰ্খাজাতিৰ গৌৰৱ স্বৰূপ ড০ ভট্টৰায়ৰ দ্বাৰা সৌৰ কোষৰ বিষয়ত দুখনকৈ গ্ৰন্থও প্ৰকাশ পাইছে। শেহতীয়াকৈ তেওঁ গোৰ্খা জাতিৰ পৰম্পৰাগত খাদ্য 'গুণ্ড্ৰুক'ৰ পৰা বায়' ছিন্থেছাইজড পদ্ধতি ব্যৱহাৰ কৰি এটা সৌৰ যন্ত্ৰ ডিজাইন প্ৰস্তুত কৰে। যিটোক ইতিমধ্যেই বিশ্বৰ বিজ্ঞানী মহলে অতি আদৰেৰে আদৰি লৈছে। গোৰ্খাজাতিৰ পৰম্পৰাগত খাদ্য 'গুণ্ড্ৰুক'ক বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যোগেদি বিশ্ব দৰবাৰত স্থান দিবলৈ সক্ষম হোৱা একমাত্ৰ গোৰ্খা সন্তান ড০ ভট্টৰায়। ড০ সাগৰ ভট্টৰায় দৰঙৰ টি কে গ্ৰাণ্টৰ বাসিন্দা খলিহৈ হাইস্কুলৰ কৃতী শিক্ষক টংক প্ৰসাদ ভট্টৰায় আৰু ঝৰ্ণা ভট্টৰায়ৰ সুযোগ্য পুত্ৰ। ২০২৪ বৰ্ষত এই সফলতাৰ বাবে স্থানীয় বহু গণ্যমান্য ব্যক্তি তথা অনুষ্ঠান প্ৰতিষ্ঠানে ড০ সাগৰ ভট্টৰায়ক সম্বৰ্ধনা আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।



বিশ্বৰ আগশাৰীৰ বিজ্ঞানীৰ তালিকাত সন্নিবিষ্ট হ'ল ড০ সাগৰ ভট্টৰায়ৰ নাম

# নিখুঁত শিল্পকৰ্মৰে সমাজক আদৰ্শ দেখুৱাই আহিছে ডেকা সত্ৰীয়া ব্ৰজেন মহন্তই



**ই-সংবাদ, ডুমডুমা, ৩১ ডিচেম্বৰঃ** ডুমডুমা সমজিলাৰ অন্তৰ্গত ৰূপাই চাইডিঙ শান্তিপুৰ গাঁও নিৱাসী তথা অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ব্ৰজেন মহন্তই নিখুঁত শিল্পকৰ্মৰে এক অনন্য নিদৰ্শন দেখুৱাইছে। বাঁহ-বেতৰ কৰ্মৰে উজলি উঠা ব্ৰজেন মহন্তই সম্পূৰ্ণ নিজাববীয়া প্ৰচেষ্টাত নিজৰ ঘৰখনকেই একপ্ৰকাৰৰ কুটীৰ শিল্প উদ্যোগলৈ পৰিণত কৰিছে। অত্যন্ত উদ্যমী, কৰ্মপটু ব্ৰজেন মহন্তই কোনো ধৰণৰ যন্ত্ৰ-পাতি নোহোৱাকৈয়ে, কেৱল দা, কটাৰী, হাতুৰী, বটালি আদিৰ সহায়ত বাঁহ-বেত, কাঠৰ এটাৰ পিছত এটাকৈ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি এক অনন্য তথা ব্যতিক্ৰমী স্বনিয়োজনৰ আদৰ্শ দেখুওৱাবলৈ সক্ষম হৈছে। ২০২০ চনৰ ৩১ জানুৱাৰীত তিনিচুকীয়াৰ বৰগুৰিস্থিত জলসিঞ্চন বিভাগৰ তিনিচুকীয়া সংমণ্ডল কাৰ্যালয়ৰ শাখা সহকাৰী পদৰ পৰা অৱসৰ লোৱা ব্ৰজেন মহন্তই অৱসৰ গ্ৰহণৰ পাছৰে পৰাই ঘৰৰ আধ্যাত্মিক পৰিৱেশৰ মাজতেই অকলশৰে বাঁহ-বেত, কাঠৰ বিভিন্ন ঘৰুৱা নিত্য-ব্যৱহাৰ্য সামগ্ৰী, মাছ ধৰা সঁজুলি, তাত শালৰ সঁজুলি, অসমীয়া সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন সামগ্ৰী, বিভিন্ন ধৰণৰ চৰাই-চিৰিকতি, পশু-পক্ষী, জীৱ-জন্তু, অসমীয়াৰ নামঘৰৰ মূলস্থান গুৰু আসন আদি প্ৰস্তুত কৰি এক বিৰল নিদৰ্শন দেখুৱাইছে। যি সময়ত ৰাজ্যৰ লাখ লাখ নিবনুৱাই এটা সাধাৰণ কামৰ বাবেই বহিঃ ৰাজ্যলৈ ঢাপলি মেলিবলগীয়া পৰিস্থিতিয়ে দেখা দিছে, তেনে সময়তে ব্ৰজেন মহন্তৰ দৰে ব্যক্তিয়ে নিখুঁত কুটীৰ শিল্পকৰ্মৰে উজলি উঠাটোৱে ৰাজ্যৰ লাখ লাখ নিবনুৱাৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই অনা বুলি ক'ব পাৰি। কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে ব্ৰজেন মহন্তই বিভিন্ন প্ৰজাতিৰ বাঁহেৰে এতিয়ালৈকে সাজি উলিয়াইছে- মূঢ়া, বাঁহৰ চাইকেল, টেবুল, চকী, ঘটি, খৰাহী, পাচি, ডলা, চালনী, কুকি, মেৰঢাৰি, গগণা, বাঁহী, চেৰেকী, চেপা, প'ল', জুলুকি, জাকৈ-খালৈ, তামোলৰ গছ, ফুলদানি, হেতা, শিৱৰ ত্ৰিশূল, বাতৰি কাকত থোৱা ষ্টেণ্ড, কাঠৰ বিভিন্ন চৰাই-চিৰিকতি যেনে- ধনেশ, পিত-পিতী, ডাউক, শালিকা, কপৌ, ভাটৌ, বগলী, বৰটোকোলা, বালিমাহী, কাউৰী, হাতী, গঁড় আদিৰ লগতে কাঠেৰে সাজি উলিয়াইছে কলহ, বটা, সঁফুৰা, ধূপদানি, গামখাৰু, পেন ষ্টেণ্ড, হালৰ গৰু, পোৱালিৰ সৈতে গাই গৰু, নাঙল, যুৱলি, মৈ, শৰাই, লোটা, হৰিণ, হাতী, টেবুল, পেপাৰ ওৱেট, ৰেক, ঠগা, গুৰু আসন (থাপনা), শিৱ-কৃষ্ণৰ চতুৰ্ভুজ মূৰ্তি, সিংহ, বিভিন্ন প্ৰকাৰৰ কটাৰী আদি। আনুষ্ঠানিক শিক্ষা নোলোৱাকৈয়ে নিজৰ মানসপটত ভাহি অহা যিকোনো বস্তুকে বাঁহ-কাঠেৰে সজীৱ ৰূপ দিবলৈ চেষ্টা কৰা হোৱা নিপুণ কুটীৰ শিল্পী ব্ৰজেন মহন্তই পুৱা নাম-প্ৰসংগ কৰি উঠি চাহ-জলপান খাই সকাম-সবাহ, ৰাজহুৱা-সামাজিক অনুষ্ঠান আদিত নিমন্ত্ৰণ নাথাকিলে পুৱাৰ পৰা সন্ধিয়ালৈকে কেৱল নিজৰ শিল্প কৰ্মতেই ব্যস্ত হৈ পৰে যদিও এইবোৰৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰীসমূহ বজাৰৰ পৰা চৰা দামত কিনি আনিবলগীয়া হোৱাত যথেষ্ট খৰচৰ সন্মুখীন হোৱা বুলিও জানিবলৈ দিয়ে। বিগত পাঁচবছৰে ব্ৰজেন মহন্তই এইদৰে শিল্পকৰ্মত নিজকে সমৰ্পিত কৰি আহি সমাজৰ প্ৰতিজন লোকৰ শ্ৰদ্ধা-ভক্তি আৰু মৰম বুটলিবলৈ সক্ষম হৈছে। তিনিচুকীয়া জিলাৰ প্ৰান্তৰ কাকপথাৰৰ চুপহা সত্ৰত জন্মগ্ৰহণ কৰা ব্ৰজেন মহন্তই সৰুৰে পৰাই সত্ৰৰ আধ্যাত্মিক পৰিৱেশত ডাঙৰ-দীঘল হৈও সৰুৰে পৰাই খেতি-বাতি তথা বিভিন্ন কৃষি কৰ্মৰ মাজেৰে নিজকে জড়িত কৰি আহিছে। চুপহা সত্ৰৰ ডেকা সত্ৰীয়া ষাঠী উৰ্ধৰ ব্ৰজেন মহন্তৰ দৰে নিপুণ কুটীৰ শিল্পীক চৰকাৰে যদি এইক্ষেত্ৰত কিম্বা উৎসাহ যোগোৱা হ'লে তেওঁৰ লগতে সমাজ আগবাঢ়ি যোৱাৰ যথেষ্ট থল আছে বুলিব পাৰি। যি সময়ত চৰকাৰে এখনৰ পিছত এখনকৈ আঁচনি সৃষ্টিৰে এক চমক দেখুৱাই আহিছে, সেই সময়তে ব্ৰজেন মহন্তৰ দৰে প্ৰচাৰবিমুখ নিপুণ শিল্পীয়ে অতি নীৰৱে-নিতালে বিভিন্ন শিল্পকৰ্মত নিজকে উৎসৰ্গিত কৰি অহাটো এক বিৰল নিদৰ্শন হিচাপে চিহ্নিত হৈছে।

# নৱবৰ্ষ উপলক্ষে উখল-মাখল নগাঁৱৰ পৰিৱেশ

**ই-সংবাদ, বেবেজীয়া, ৩১ ডিচেম্বৰঃ** পুৰণিক বিদায় আৰু নতুনক আদৰণি জনোৱাৰ নিমিত্তে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে নগাঁও জিলাতো আজি এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ প্ৰান্তে প্ৰান্তে বজাৰ-সমাৰ, দোকান-পোহাৰ আদিত ৰাইজৰ সমাগমেৰে মাঘ বিহুৰ উৰুকাৰ দৰে এটি ব্যস্ততামুখৰ পৰিৱেশ সৃষ্টি হোৱা দেখিবলৈ পোৱা গৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী দৰেও যেন গ্ৰাহকক হতাশ কৰিব পৰা নাই। কাৰণ বিয়লিৰে পৰা মাছ-মাংস, শাক-পাচলি বা মিঠাইৰ দোকানৰ পৰা আৰম্ভ কৰি সুৰাৰ দোকানলৈকে গ্ৰাহকৰ হেতা-ওপৰা লগা দৃশ্যই তাকেই প্ৰমাণ কৰিছে। একপ্ৰকাৰে নৱবৰ্ষৰ আগমনক কেন্দ্ৰ কৰি দেখা গৈছে কেউফালে কেৱল আনন্দ-উলাহৰ প্ৰতিচ্ছবি। উল্লেখ্য যে, জাতীয় উৎসৱ নতুবা বিভিন্ন জাতীয় অনুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰা জিলাখনৰ একাংশই 'থাৰ্টী ফাৰ্ষ্ট'ৰ নামত নামত বন্ধু-বান্ধৱৰ লগত হৰ্ষ-উল্লাসেৰে 'পাৰ্টী' কৰিবলৈ হ'লে পাহৰা নাই। পুৰণি বৰ্ষক বিদায় জনোৱাৰ নামতেই এচাম চেমনীয়া যুৱকে চাৰিআলি-তিনিআলি, ক্লাবঘৰ, মুকলি পথাৰ আদিত উচ্চস্বৰত মাইক বজাই পৃথকে পৃথকে নাচি-বাগি ভোজ-ভাত খাই ৰং-তামাচাত নিজকে উটুৱাই দিছে। আনকি এনে আনন্দ-উছাহৰ পৰা ঠায়ে ঠায়ে আঁতৰি থকা নাই অত্যুৎসাহী যুৱতী বা বয়োজ্যেষ্ঠ পুৰুষ আৰু মহিলাসকলো। তদুপৰি বিত্তশালী কোনো কোনোৱে আকৌ আজিৰ দিনটো পৰিয়ালৰ সৈতে স্ফুৰ্তি-তামাচাৰে কটোৱাৰ উদ্দেশ্যে ঢাপলি মেলিছে ৰেষ্টুৰেণ্ট, ধাবা কিম্বা বিলাসী হোটেললৈ। ইফালে, আজিৰ অত্যাধুনিক তথ্য প্ৰযুক্তিৰ যুগত নৱবৰ্ষৰ শুভেচ্ছা জনোৱাৰ বাবে 'গ্ৰীটিংছ কাৰ্ড'ক এৰি নৱ প্ৰজন্মই ম'বাইলৰ জৰিয়তে 'মেচেজিং' পদ্ধতিৰ যি পৰম্পৰা গঢ়ি তুলিছে তাৰ ব্যতিক্ৰম নহ'ল নগাঁৱৰ যুৱক-যুৱতীৰ ক্ষেত্ৰতো। মুঠতে আন আন প্ৰান্তৰ দৰে নগাঁৱৰ জনতাইও পুৰণিক বিদায় জনাই নৱবৰ্ষক আঁকোৱালি সকলোৱে যেন দুখ-বেদনা পাহৰি পেলাইছে।

# নাট্য কলাৰে জগত জিনাৰ প্ৰয়াস চেলেংহাটৰ নাট্যকৰ্মী মুনীন্দ্ৰ গগৈৰ

**ই-সংবাদ, মৰিয়নী, ৩১ ডিচেম্বৰঃ** মানৱ সভ্যতাৰ উত্তৰণত একো একোটা সৃষ্টিশীল মনৰ অৱদান সৰ্বদা সমাদৃত হৈ আহিছে। সৃষ্টিৰ মূলতেই থাকে মনৰ তাগিদা মনোজগত। অভিনয় আৰু নাট্য কলাত সমৰ্পিত এটি সত্তা হ'ল মুনিন্দ্ৰ গগৈ। জন্মসূত্ৰে এক সাংস্কৃতিক পৰিৱেশৰ উমাল পৰশ লাভ কৰা সৃষ্টিকামী মনৰ মুনিন্দ্ৰ গগৈয়ে নিষ্ঠা সহকাৰে সাংস্কৃতিক চৰ্চা আগবঢ়াই গৈছে। পিতৃ প্ৰয়াত ৰত্নেশ্বৰ গগৈ আৰু মাতৃ সোণমাই গগৈৰ পঞ্চম সন্তান মুনিন্দ্ৰ গগৈ যোৰহাট জিলাৰ ঐতিহাসিক চেলেংহাট হাতীমূৰীয়া গাঁৱৰ বাসিন্দা। তেওঁৰ শৈশৱ আৰু শিক্ষা জীৱন কাষৰীয়া শিৱসাগৰ জিলাৰ আমগুৰিৰ পৰাই আৰম্ভ হৈছিল। আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা আৰু আমগুৰি মহাবিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত গুৱাহাটীৰ কটন কলেজত উচ্চ শিক্ষা গ্ৰহণ কৰে। গুৱাহাটীত থাকোঁতেই তেখেতে স্কুল অফ ড্ৰামাত প্ৰশিক্ষণ গ্ৰহণ কৰে। মুনিন্দ্ৰ গগৈয়ে শিক্ষা গ্ৰহণৰ সমান্তৰালভাৱে সাংস্কৃতিক চৰ্চা আগবঢ়াই গৈছিল। প্ৰচাৰৰ দৌৰৰ পৰা আঁতৰত থাকি সামাজিক দায়বদ্ধতাৰে সেৱা আগবঢ়ায় যোৱা মুনিন্দ্ৰ গগৈয়ে ইতিমধ্যে কেইবাখনো পূৰ্ণাংগ নাটক, বুৰঞ্জীমূলক নাটক, শিশু নাটক, একাংকিকা নাটক, বাটৰ নাট, চুটি ছবিৰ চিত্ৰনাট্য আদিৰে অসমীয়া নাট্য ভঁৰাল সমৃদ্ধ কৰিছে। তেখেতে ইতিমধ্যে বন্ধন, বাৰুদ, বিধাতা আৰু বুৰঞ্জীমূলক 'জয়মতী' পূৰ্ণাংগ



নাটক ৰচনা কৰিছে। তদুপৰি তেওঁ 'বলুকাত বিয়লি বেলা' নামৰ এখন শিশু নাটক ৰচনা কৰে। সেইদৰে অভিযাত্ৰী, ভাতৃস্নেহ, ধ্ৰুৱন্ধৰ ছাত্ৰ, মৃত্যু উপত্যকাৰ সংবাদ, দাব আদি কেইবাটাখনো একাংকিকা নাটক ৰচনা কৰিছে। জনপ্ৰিয় চুটি ছবি 'গামোচা'ৰ চিত্ৰনাট্য ৰচনাৰ উপৰি সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰিছে বাটৰ নাট 'কৰ'না'। তেখেতে অকল যে নাটক আদি ৰচনাৰে অসমীয়া নাট্য জগতলৈ অৱদান আগবঢ়াইছে এনে নহয়, সৰুৰে পৰা নাটক, ভাওনা, ৰাস আদিৰে জড়িত হৈ থকা গগৈয়ে পৰৱৰ্তী সময়ত অভিনয় আৰু পৰিচালনাৰে নিজৰ দক্ষতা প্ৰদৰ্শন কৰি গৈছে। অসমৰ নাট্য জগতত বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা বুৰঞ্জীৰ পটভূমিৰ প্ৰয়াত ড০ জিনতু হাজৰিকাই ৰচনা কৰা 'সাঁচি পাতৰ পুথিৰ পৰা মই গমধৰে কৈছোঁ' নাটকৰ কেইবাটাও চৰিত্ৰত নিজে অভিনয় কৰাৰ উপৰি প্ৰথম অৱস্থাত সহকাৰী পৰিচালক আৰু কাৰ্যবাহী পৰিচালকৰ দায়িত্ব পালন কৰি অসমৰ ইমুৰৰ পৰা সিমুৰলৈ মঞ্চস্থ কৰি সমাদৰ লাভ কৰিছে। তদুপৰি জেৰেঙাৰ সতী, বলুকাত বিয়লি বেলা, বন্ধন, বাৰুদ, অংকুৰ, বীৰ পাংৰাও, ঘিনাই সাতোটা, মণিৰাম দেৱান, পগলা মানু, উপপথ, টেটোন তামুলী, মৃত্যু উপত্যকাৰ সংবাদ, গতিৰুধ, প্ৰহৰ, প্ৰাপ্ত বয়স্ক শিক্ষা, স্বৰ্গধামত বিষ্ণু ৰাভা, এক্সিডেন্ট, অপবিত্ৰ দেৱতা, নিঃসংগ পক্ষীৰ গান, তেৰেকেতু ধুম, মানুহ আদি প্ৰায় পঁচিশখনৰো অধিক নাটকৰ পৰিচালনা কৰিছে। তেখেত বিভিন্ন সাংস্কৃতিক গোষ্ঠী সৈতে জড়িত যদিও বিশেষত গিবন কুশীলৱ নাট্য গোষ্ঠী, জাঁজী পৰীয়া শিল্পী সমাজ আৰু পুবেৰুণ শিল্পী সমাজৰ সৈতে তেখেতৰ ধাৰাবাহিক নাট্য চৰ্চা আগবঢ়াই গৈছে। এজন অভিনেতা হিচাপেও মুনিন্দ্ৰ গগৈৰ বিশেষ নাম আছে। ৰচনা আৰু পৰিচালনাৰ সমান্তৰালভাৱে বৰ্তমানলৈ প্ৰায় অৰ্ধ শতাধিক চৰিত্ৰত অভিনয় কৰি দৰ্শক সমাজৰ প্ৰসংশা বুটলা মুনিন্দ্ৰ গগৈয়ে ইতিমধ্যে উড়িষ্যাৰ কটকত অনুষ্ঠিত ইন্টাৰনেছনেল থিয়েটাৰ ফেষ্টিভেল, নেপালীয়া ৰাষ্ট্ৰীয় নাট মহোৎসৱ, ফুটহিল্চ নেশ্যনেল ড্ৰামা ফেষ্টিভেল, দকচিৰি ৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ আৰু ফেষ্টিভেল অফ ইয়ং থিয়েটাৰ ডাইৰেক্টৰ্চ অফ আছাম আদি মহোৎসৱত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থান আৰু উৰিষ্যালৈও নিমন্ত্ৰিত হৈছে। অদূৰ ভৱিষ্যতে নৱ প্ৰজন্মক নাট্য কলাৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ উদ্দেশ্যে একক প্ৰচেষ্টাৰে তেওঁ কৰি গৈছে শিশু নাট কৰ্মশালা।

# কলগাছিয়াত পথ পকীকৰণৰ দাবীত ৰাইজৰ প্ৰতিবাদ

**ই-সংবাদ, কলগাছিয়া, ৩১ ডিচেম্বৰঃ** বৰপেটা জিলাৰ ৰূপসী উন্নয়ন খণ্ডৰ তাপেশ্বৰা গাঁও পঞ্চায়তত এটা ৰাস্তাক কেন্দ্ৰ কৰি ৰাইজে সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। ৰাস্তাটো গুনিয়ালগুৰীৰ পৰা দিগজানি টি এন ডি বজাৰ সংযোগী মূল ৰাস্তা। ৰাইজে জনোৱা মতে প্ৰায় এবছৰ পূৰ্বে জনীয়াৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে গুনিয়ালগুৰীৰ পৰা দিগজানি টি এন ডি বজাৰ সংযোগী ৰাস্তা পকীকৰণৰ আধাৰশিলা স্থাপন কৰিছিল। কিন্তু এটা বছৰ উকলি যোৱাৰ পিছতো বৰ্তমানলৈকে ৰাস্তাৰ কাম সম্পূৰ্ণ হোৱা নাই। যাৰ ফলত কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে দৈনিক হাজাৰ হাজাৰ জনসাধাৰণ অহা-যোৱা কৰাত যমৰ যাতনাত ভুগিবলগীয়া হৈছে। ফলত ৰাস্তাটোত সঘনাই সংঘটিত হৈ আহিছে সৰু-বৰ দুৰ্ঘটনা। এই ক্ষেত্ৰত জনীয়াৰ বিধায়ক ৰফিকুল ইছলামে তিনিমাহৰ ভিতৰত ৰাস্তা পকী কৰণৰ প্ৰতিশ্ৰুতি দিছিল যদিও ৰস্তাটোৰ কাম লেহেমীয়াভাৱে কৰাৰ লগতে মাজে সময়ে নাম মাত্ৰ কাম কৰি গুচি যায় বুলি অভিযোগ উত্থাপন কৰে ৰাইজে। ৰাস্তা পকীকৰণৰ নামত বিধায়কে কেৱল আধাৰশিলা স্থাপন কৰি ৰাইজক প্ৰতাৰণা কৰি আহিছে বুলি ৰাইজে অভিযোগ কৰিছে। ক্ষুব্ধ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি নিবিদা লাভ কৰা ঠিকাদাৰ আৰু বিধায়ক হাফিজ ৰফিকুল ইছলামক আদিতপুৰ টি এন ডি এলেকাত প্ৰৱেশ নিষিদ্ধ কৰিছে। প্ৰতিবাদকাৰীয়ে ৰফিকুল ইছলাম গো বেক, ৰাস্তা আমাক লাগিবই, দলালি বন্ধ কৰক, আদি ধ্বনিৰ পৰিৱেশ উত্তাল কৰি তোলে।

# ওদালগুৰিত ৯৯৮ কেজি জব্দকৃত গাঞ্জা দাহ আৰক্ষীৰ

**ই-সংবাদ, ওদালগুৰি, ৩১ ডিচেম্বৰঃ** বছৰটোৰ অন্তিমটো দিনত নিচাযুক্ত সামগ্ৰী দহনেৰে বছৰটোক বিদায় দিলে ওদালগুৰি আৰক্ষীয়ে। আজি ওদালগুৰি জিলাৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত সোণাবীপাৰাত জব্দকৃত গাঞ্জাসমূহ দাহ কৰে আৰক্ষীয়ে। জিলাখনৰ মাজবাট আৰক্ষী থানা এলেকাৰ তিনিটা গোচৰৰ ভিত্তিত জব্দ কৰা ৯৯৮ কেজি গাঞ্জা আজি দাহ কৰা হয়। আজি দাহ কৰা গাঞ্জাখিনিৰ আনুমানিক আন্তৰাষ্ট্ৰীয় বজাৰ মূল্য হৈছে প্ৰায় পাঁচ কোটি টকা। জিলা আৰক্ষী অধীক্ষক পুষ্কিন জৈনৰ লগতে দণ্ডাধীশ আৰু জিলা আৰক্ষীৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত এই গাঞ্জা দাহ কাৰ্যসূচী সম্পন্ন কৰা হয়। ইয়াৰ পাছত সাংবাদিকৰ সন্মুখত মন্তব্য কৰি জিলা আৰক্ষী অধীক্ষক জৈনে কয় যে অবৈধ নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে ওদালগুৰি আৰক্ষীয়ে প্ৰতিটো মুহূৰ্তত সজাগ হৈ অভিযান চলাই গৈছো। আগন্তুক দিনবোৰতো ধাৰাবাহিকভাৱে এই অভিযান অব্যাহত থাকিব বুলিও বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। ২০২৪ বৰ্ষটোত জিলাখনৰ আৰক্ষীয়ে চলোৱা বিভিন্ন অভিযানত প্ৰায় ৬,৫০০ কেজি গাঞ্জা জব্দ কৰা হৈছে। যাৰ আনুমানিক বজাৰ মূল্য হৈছে প্ৰায় ৩০ কোটি টকা। এই কাৰ্যসূচীত আৱকাৰী বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ লগতে কেইৱাটাও বিভাগৰ লোক উপস্থিত থাকি দাহ কাৰ্য সম্পন্ন কৰে।

# মাৰ্চিয়েল আৰ্টত ডিব্ৰুগড়ৰ ফিজা বিলকিছৰ স্বৰ্ণ পদক অৰ্জন



**ই-সংবাদ, ডিব্ৰুগড়, ৩১ ডিচেম্বৰঃ** গুৱাহাটীৰ পাঞ্জাবাৰীত যোৱা ২৭ আৰু ২৮ ডিচেম্বৰত অনুষ্ঠিত "৬ষ্ঠ ৰাষ্ট্ৰীয় মাৰ্চিয়েল আৰ্ট প্ৰতিযোগিতা"ত ডিব্ৰুগড়ৰ ফিজা বিলকিছে সোণৰ পদক লাভ কৰি ডিব্ৰুগড়লৈ সুনাম কঢ়িয়াই আনে। তেওঁ এই খেলত পশ্চিমবংগৰ নন্দিনী দলে আৰু অসমৰ দৰ্শিতাক পৰাজিত কৰি এই পদক লাভ কৰে। ডিব্ৰুগড়ৰ লোহাৰপট্টি নিবাসী নিয়াজ আখটাৰৰ কন্যা ফিজা বিলকিছৰ এই সফলতাত ডিব্ৰুগড়বাসী উৎফুল্লিত হৈ পৰিছে। ডিব্ৰুগড়ৰ ট্ৰাষ্ট ফৰ হিউমেনিটিৰ পক্ষৰ পৰা খেলুৱৈগৰাকীলৈ ফুলাম গামোচাৰে অভিনন্দন জ্ঞাপন কৰি তেঁওৰ উজ্জ্বল ভৱিষ্যত কামনা কৰা হয়। ফিজা বিলকিছ বৰ্তমানে ডিব্ৰুগড়ৰ শিক্ষা ভেলী স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী।

## শেষ বিন্দু তেজ থকালৈকে যুঁজি যোৱাৰ সংকল্প লৈছো



■ **ৰূপম কোঁচ**
সভাপতি, ডিব্ৰুগড় জিলা সমিতি
সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা

**নতুন বছৰৰ পহিলা** দিনটোত অসমৰ প্ৰতিটো পৰিয়ালত সুখ-শান্তি বিৰাজমান হোৱাৰ কামনা কৰিছো। সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সৈতে দেহে-কেহে কাম কৰি থকাৰ সময়ছোৱাত আমি নিজৰ বাবে নললেও সংগঠন আৰু কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ স্বাৰ্থত আমি নতুন বছৰত সংকল্প লওঁ। নতুন বছৰত আমি অন্য দিশক প্ৰাধান্য দিব নোৱাৰো বা আন কথাৰ বৰ্ণনা দিব নোৱাৰো। জাতীয় স্বাৰ্থ আৰু জনগোষ্ঠীয় স্বাৰ্থতে আমি যুঁজি যোৱাৰ সংকল্প লৈছো। এই বছৰটোত অসম আৰু অসমীয়া জাতিটোৰ সমৃদ্ধি আৰু ঐতিহাসিক কোঁচ-ৰাংজবংশী জনগোষ্ঠীৰ অধিকাৰৰ হকে নতুন ৰূপত সংগ্ৰামৰ পাতনি মেলিবলৈ আমি উদগ্ৰীৱ হৈছো। আমি শেষ বিন্দু তেজ থকালৈকে যুঁজিম। আমি বিশ্বাসী যে এদিন আমি আমাৰ অধিকাৰ আজুৰি আনিম।

# আহি থকা বছৰবোৰো ভাল হওক!



■ **ডঃ খনিন্দ্ৰ মিশ্ৰ ভাগৱতী**

> **ধৰ্মান্ধতাৰ সলনি মানৱতাৰে সংলগ্ন হৈ ধৰ্মৰ জয়গান হওক**

**কেৱল আহি থকা** বছৰটো কেলেই? আহি থকা বছৰবোৰৰ বাবে চিন্তা কৰোঁ আহক, আমাৰ বৰ্তমানৰ প্ৰজন্মৰ লগতে আহি থকা প্ৰজন্মইও যাতে আমাৰ এই সুন্দৰ পৃথিৱী খনত জীৱন নিৰ্বাহ কৰিব পাৰে। প্ৰকৃতিৰ সৈতে, মানুহৰ সৈতে মানুহৰ আত্মীয়তা যাতে হেৰাই নাযায়, জলাশয় বোৰ, গছ-গছনিবোৰ ধ্বংস নহৈ চৰাই-চিৰিকতিৰ বাবে বা আন জীৱৰ বাবে আশ্ৰয়থলী হৈ থাকক। জলবায়ু আৰু প্ৰাকৃতিক পৰিৱেশৰ বাবে সকলো পক্ষ সজাগ হওক। ধৰ্মান্ধতাৰ সলনি মানৱতাৰে সংলগ্ন হৈ ধৰ্মৰ জয়গান হওক আৰু সঁচা অৰ্থত সহনশীলতাৰে সহবাস কৰি সমাজ খন শক্তিশালী হৈ দেশৰ উন্নয়ন অব্যাহত থাকক। মানৱীয় প্ৰমূল্যবোধৰ গ্ৰহণযোগ্যতা বৃদ্ধি হওক আৰু হত্যা-হিংসাৰ পৰিবৰ্তে জীৱন আৰু শান্তিৰ গুৰুত্ব বাঢ়ক। আমি কোৱা আৰু নিজে কৰা কামৰ মাজত সামঞ্জস্য থাকক যাতে বিশ্বাস নামৰ শব্দটো গৰ্বেৰে বৰ্তি থাকে। আমি দেখুওৱা আৰু আনে আমাক দেখাৰ মাজতো কোনো পাৰ্থক্য নেথাকক যাতে বিশ্বাসৰ সামাজিক স্বীকৃতি থাকে আৰু সামাজিক বান্ধোন অটুট থাকে। সমাজৰ বাবে, দহৰ বাবে ত্যাগ কৰি মঙ্গলকামী দৃষ্টিভংগী গঢ় লৈ উঠক সকলোৰে মাজত আৰু কেৱল মাত্ৰ প্ৰচাৰৰ বাবে নহয় প্ৰকৃত অৰ্থত ত্যাগৰ গুৰুত্ব বাঢ়ক। পিতৃ-মাতৃৰ প্ৰতি থকা সন্তানৰ দায়িত্ব আৰু কৰ্তব্যই পিতৃ-মাতৃৰ ত্যাগৰ মূল্যৰ স্বীকৃতি দিয়ক। আন্তৰ্জাতিক স্তৰতে হওক বা ৰাষ্ট্ৰীয় স্তৰতে হওক শান্তি আৰু বুজাবুজিৰ গুৰুত্ব বৃদ্ধি হৈ সহায়-সহযোগিতাৰ মূল্যেৰে উন্নয়ন সাধি সৰ্বসাধাৰণ ৰাইজৰ সুযোগ-সুবিধাৰ সৃষ্টি হৈ সামগ্ৰিক ভাবে সকলোৰে ভাল হওক।

# এনআৰএছ ক্লাব ছেমিফাইনেলত



**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩১ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ ৰঙাদৰীয়াৰ বালিজান চানৰাইজ ক্লাবৰ উদ্যোগত বালিজান খেলপথাৰত সদৌ অসম ভিত্তিত পূৰ্ণগতিত চলি থকা " ক্ৰিকেট মহাৰণ-২০২৪/২৫ " ত নগাবন্ধাৰ সন্মিলিত এন আৰ এছ এণ্ড এছ এছ ক্লাবে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। সীমিত অভাৰৰ এই প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত এন আৰ এছ এণ্ড এছ এছ ক্লাবে বৰপেটাবড়ি মৰাসোণাইপাৰ বকুলতল প্ৰভাত ইলেভেনক ছয় উইকেটত পৰাজিত কৰে। খেলখনত বৰপেটাবড়ি মৰাসোণাইপাৰ বকুলতল প্ৰভাত ইলেভেনে পোনতে বেট ধৰি কাৰ্তিক ডেকাৰ-৬৩ আৰু মৃদুল নাথৰ-২১ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ১০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৩০ ৰাণ সংগ্ৰহ কৰে। বলিঙত এন আৰ এছ এণ্ড এছ এছৰহৈ চৈয়দ আহমেদে তিনিটা, সৌৰভ দাস আৰু পৰশমণি গগৈয়ে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত এন আৰ এছ এণ্ড এছ এছ দলটোৱে বেট ধৰি ছাহৰুণ খানৰ অপৰাজিত-৩৪, জিংকুমণি দাসৰ-৩৩, ৰাজকুমাৰ বৰাৰ-২২, ইমৰুল হুছেইনৰ অপৰাজিত-২১ আৰু পৰশমণি গগৈৰ-১৪ ৰাণৰ উল্লেখনীয় অৱদানেৰে ৯.৫ অভাৰত ১৩১ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্যত উপনীত হয়। বলিঙত মৰাসোণাইপাৰ বকুলতল প্ৰভাত ইলেভেনৰহৈ ধন মেধি, অধিনায়ক ৰাজেশ পাটৰ, মুস্তাফিজুৰ আহমেদ আৰু পৰাগ দাসে এটাকৈ উইকেট পায়। নজৰুল ইছলাম আৰু বুলবুল হুছেইন আম্পায়াৰৰূপে থকা খেলখনত এন আৰ এছ এণ্ড এছ এছৰ ইমৰুল হুছেইনে প্লেয়াৰ অব্ দ্যা মেচৰ বঁটা লাভ কৰে। আজিৰ খেলখনত বালিজান হাইস্কুলৰ সহকাৰী শিক্ষক ৰফিকুল ইছলাম, সমাজ সংগঠক আব্দুল বাছিৰ, জেহিৰুল হক, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, মুকছিদুল ইছলাম, শেখ লোকমান হেকিম, মুছাহিদুল আলম খান আৰু খুৰ্চিদ আলম আদি বিশেষভাৱে উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰে। ইতিপূৰ্বে অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত পি চি চিয়ে মৰিগাঁৱৰ পছটীয়া ক্ৰিকেট ক্লাবক পৰাজিত কৰিছিল। প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ী দলক ট্ৰফীৰ লগতে নগদ পঞ্চাশ হেজাৰ এটকা আৰু বিজিত দলকো ট্ৰফীৰ লগতে নগদ বিশ হেজাৰ এটকা প্ৰদান কৰা হ'ব। আয়োজক সমিতিৰ সভাপতি নজৰুল ইছলামে জানিবলৈ দিয়া মতে, ৩ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত বেচামাৰী ক্ৰিকেট ক্লাবে আহোমগাঁৱৰ আশ্ৰাফুল ইলেভেনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ডঃ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি